# জন্মৰহস্য

# জন্মৰহস্য

**শ্ৰীকৃষ্ণায় নমঃ**

**পদ**

জয় জয় কৃষ্ণ পূৰ্ণব্ৰহ্ম কলেৱৰ।
জগত কাৰণ দেৱ দেৱ দামোদৰ।।
মৎস কূৰ্ম্ম আদি যাৰ অংশ অৱতাৰ।
হেনয় কৃষ্ণক কোটি কোটি নমস্কাৰ।।১
যাৰ আজ্ঞা পালে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ।
সৃষ্টি স্থিতি প্ৰলয় কৰন্ত বাৰে বাৰ।।
যাৰ নামে হোৱৈ মহা পাপীও উদ্ধাৰ।
হেনয় কৃষ্ণক কৰো কোটি নমস্কাৰ।।২
জয় নমো নাৰায়ণ দৈৱকী নন্দন।
ব্ৰহ্মা আদি দেৱে সেৱে যাহাৰ চৰণ।।
কৰো নমস্কাৰ হেন কৃষ্ণৰ চৰণে।
আৰম্ভৰ সিদ্ধি হৌক কৃষ্ণক স্মৰণে।। ৩
হেন কৃষ্ণ দেৱ প্ৰভু তুমি মোৰ স্বামী।
চৰাচৰ জগতৰ তুমি অন্তৰ্য্যামী।।
পৰম অজ্ঞানী মই মহা মূঢ়মতি।
জানি হৃষিকেশ মোক দিয়ো অনুমতি।।৪
হৃদয়ৰ গুৰু তুমি বিনে নাহি কেৱ।
জানিয়া তোমাৰ পাৱে পৰি কৰো সেৱ।।
প্ৰণত পালক প্ৰভু তুমি হৃষিকেশ।
অন্তৰ্য্যামী ৰূপে মোক দিয়া উপদেশ।।৫
নমো নমো কৃষ্ণ দুষ্ট দৈত্য অন্তকাৰী।
শঙ্খ চক্ৰ গদা পদ্ম যাৰ অস্ত্ৰ চাৰি।।
হেনয় কৃষ্ণক কৰি সহস্ৰ প্ৰণতি।
কহয় মাধৱ দাস অতি মূঢ়মতি।।৬
কৃষ্ণপদ পঙ্কজক ধৰি একমনে।
কৰো নমস্কাৰ নিজ গুৰুৰ চৰণে।।
বিৰচিবো জন্ম ৰহস্যৰ কথা সাৰ।
হৌক পদ কৃষ্ণপদ প্ৰসাদে প্ৰচাৰ।।৭
জন্ম ৰহস্যৰ কথা সাক্ষাতে অমৃত।
ভাগৱত কথা আত কৰিবো মিশ্ৰিত।।
কৃষ্ণ কথা সংযোগে হৈবে ৰুচিকৰ।
ৰত্ন জ্যোতি চৰৈ যেন কান্তি সুৱৰ্ণৰ।।৮
বোলো কৰযোৰে শুনিয়োক সভাসদ।
মূৰ্খ হুয়া কৰো জন্ম ৰহস্যৰ পদ।।
আমাৰ পদত কেহো নধৰিবা দোষ।
কৃষ্ণ কথা শুনি মহা হুয়োক সন্তোষ।।৯
মই কেনে মূঢ়মতি দেখা সৰ্ব্বজনে।
কৰি আছে পদ আৰ মহা মহা জনে।।
তাকে দেখি ময়ো পদ কৰিবাক চাঐঁা।
গৰুড়ৰ উৰাৰ টিপছি হুয়া ধাঐঁা।।১০
মোৰ ইটো দোষ ক্ষমা কৰিয়ো সজ্জনে।
কৃষ্ণ কথা অমৃতক পিয়া একমনে।।
কৃষ্ণৰ জন্মৰ কথা অমৃত পৰম।
শুনা একচিত মনে পৰিয়া নিজম।।১১
কলিযুগে আউৰ আত পৰে গতি নাই।
সমস্ত শাস্ত্ৰৰ ইসে মুখ্য অভিপ্ৰায়।।
স্বভাৱে কলিৰ লোক ভৈল দুৰাচাৰ।
পাতকীৰ ধৰ্ম্মে কৰ্ম্মে নাহি অধিকাৰ।।১২
ৰাম নাম দুগুটি অক্ষৰ যিটো গাৱে।
কলিযুগে সিসে মহাসুখে মোক্ষ পাৱে।।
হেনজানি শুনা পাপ কৰিয়া উচ্ছাদ।
জন্ম ৰহস্যৰ কথা কৃষ্ণ-নাৰদ সংবাদ।। ১৩
পৰম মঙ্গল সৰ্বপাপ বিনাশন।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ ইহাৰ কাৰণ।।
শ্ৰৱণ মাত্ৰকে মহা কৃতকৃত্য হোৱে।
সাধে সৱে অৰ্থ একো বিঘিনি নোচোৱে।।১৪

ভৈল একাৰ্ণৱ জল প্ৰলয় কালত।
নষ্ট ভৈল স্থাৱৰ যঙ্গম আছে যত।।
চন্দ্ৰ সূৰ্য্য বায়ু গ্ৰহ নক্ষত্ৰ সমস্ত।
তিনিও জগত প্ৰলয়ত গৈল অন্ত।।১৫
নিজকায়[১] নষ্ট ভৈল সমস্ত জীৱৰ।
থাকি বীৰ্য্যৰূপে[২] মাত্ৰ ৰৈল নিৰন্তৰ।।
কৰিলা সংকোচ কৃষ্ণে মায়া আপোনাৰ।
নিজৰূপে ৰাখিলন্ত সমস্ত সংসাৰ।।১৬
নিজ ঐশ্বৰ্য্যক হৰি কৰিয়া প্ৰকাশ।
সমস্ত জীৱক দিলা উদৰত বাস।।
জগত সংহৰি হৰি কৰি মহা লীলা।
অনন্তশয্যাত হৰি একলে ৰহিলা।।১৭
আত অনন্তৰে কথা শুনা সভাসদ।
আকাশ মাৰ্গত সুখে ফুৰন্ত নাৰদ।।
নোচোৱয় তাঙ্ক প্ৰলয়ৰ একো দোষে।
মিলিলা তহিতে আসি পৰম সন্তোষ।।১৮
সাক্ষাতে কৃষ্ণক দেখিলন্ত মুনিবৰ।
প্ৰকাশে শৰীৰ কোটি সূৰ্য্য সমসৰ।।
মৰকত সম শ্যাম তাত পীত বাস।
সজল মেঘত যেন বিজুলী প্ৰকাশ।।১৯
প্ৰসন্ন বদন কোটি চন্দ্ৰ সম জ্বলে।
ৰত্নৰ কিৰীটি শিৰে সম নাহি মোলে।।
কমল লোচন কৰ্ণে মকৰ কুণ্ডল।
তাৰ ৰশ্মি প্ৰকাশে পাণ্ডুৰ গণ্ড স্থল।।২০
ভ্ৰূৰ সুৰলিত দন্ত মুকুতাৰ পান্তি।
ললাতত ৰত্নৰ তিলকে কৰে কান্তি।।
সুন্দৰ নাসিকা যেন দেখি তিলফুল।
ঈষত হাসিত চাৰু অধৰ ৰাতুল।।২১
অলকা পঙ্কতি প্ৰকাশিত আতিশয়।
পদ্মক বেঢ়িয়া যেন ভ্ৰমৰ ৰঞ্জয়।।
ৰুচিৰ চিবুক নীল আকুঞ্চিত কেশ।
চূড়ামণি ৰত্ন তাতে অধিক সুৰেশ।।২২
কণ্ঠত কৌস্তুভ নৰ আদিত্যৰ কান্তি।
বহল হৃদয়ে জ্বলে শ্ৰীবৎসৰ পান্তি।।

জিলিমিলি হাৰ মণি মুকুতাৰ মালা।
নানা ৰত্নে বিৰচিত কটিত মেখলা।।২৩
পঞ্চবৰ্ণে বনমালা আপাদলম্বিত।
হৃদয় মধ্যত লক্ষ্মী ভৈলন্ত বিদিত।।
আজানুলম্বিত জ্বলে বাহু চাৰিখান।
ভুজঙ্গৰ অঙ্গসম দেখিতে সুঠান।।২৪
কেয়ূৰ কঙ্কণ তাতে ৰতনে ৰঞ্জিত।
কৰতল ৰাতুল কোমল মনোনীত।।
সুদীৰ্ঘ আঙ্গুলি জাপ সোণাৰ অঙ্গুষ্ঠি।
নখ চন্দ্ৰসৰক দেখন্তে মন তুষ্টি।।২৫
শঙ্খ চক্ৰ গদা পদ্ম হাতে চাৰি অস্ত্ৰ।
কান্ধে নৰ গুণ শৰীৰত পীতবস্ত্ৰ।।
ললিত বলিত উদৰত ৰেখা তিনি।
সুগম্ভীৰ নাভি ৰত্নে ৰচিত কিঙ্কিণী।।২৬
পাট পীত ভুন উৰু সম কৰিকৰ।
সমজানু লঙঘা মাজে ৰত্নৰ হোড়ৰ।।
দুখানি চৰণ যেন নৰ পদ্ম কোষ।
যাক দেখি ভকতৰ মনত সন্তোষ।।২৭
তাৰ মাজে ৰত্নৰ নূপুৰে কৰে কান্তি।
চম্পাৰ পাকৰি যেন আঙ্গুলিৰ পান্তি।।
তাৰ মাজে জ্বলে আতি উজণ্টি ৰত্নৰ।
জ্বলে নখমণি নৰ চন্দ্ৰসমসৰ।।২৮
ৰাতুল কোমল পদতল মনোনীত।
ধ্বজ বজ্ৰ যৱ পদ্ম অঙ্কুশে অঙ্কিত।।
শৰীৰৰ কান্তি দশোদিকে প্ৰকাশন্ত।
হেন ৰূপে নাৰদে কৃষ্ণক দেখিলন্ত।।২৯
পৰম প্ৰেমত নয়নৰ নীৰ ঝৰে।
আনন্দে দ্ৰবিল মন শৰীৰ শিহঁৰে।।
ডাকচাৰি উদ্ধাৰিলা ৰামকৃষ্ণ নাম।
কৰিলা সাদৰে পৰি অষ্টাঙ্গে প্ৰণাম।।৩০
চৰণত পৰি আছিলন্ত কতোবেলি।
উঠি পুনৰপি মুনি কৰি কৃতাঞ্জলি।।
নৱঝাই বাণী বাক্যে গদ গদ।
স্তুতি কৰিবাক পাছে লাগিলা নাৰদ।।৩১

পা. ১। স্থূলকায় ২। সূক্ষ্ম শৰীৰত

নমো নমো নাৰায়ণ অনাদি অনন্ত।
নিত্য নিৰঞ্জন পূৰ্ণ ব্ৰহ্ম ভগৱন্ত।।
প্ৰকৃতিতো পৰ পৰমাৰ্থ ৰূপ দেৱ।
তোমাৰ চৰণে কৰো লক্ষকোটি সেৱ।।৩২
কটাক্ষতে কৰা প্ৰকৃতিক সচেতন।
ব্ৰহ্মাৰূপে কৰা সৃষ্টি প্ৰলয় পালন।।
বিষ্ণুৰূপে ধৰি স্ৰজা যত চৰাচৰ।
বিষ্ণুৰূপে জগতকে পালা নিৰন্তৰ।।৩৩
ৰূদ্ৰৰূপে কৰা প্ৰভু প্ৰলয় আপুনে।
তথাপি তোম্মাক নোচোৰন্ত দোষ গুণে।।
কৰিলা অধীন মায়া নিজ গুণ বলে।
তুমি মাত্ৰ সঞ্চা আন প্ৰপঞ্চ সকলে।।৩৪
তোম্মাৰ অন্তৰ নুহি জগত যতেক।
তুমি পুনু প্ৰভু প্ৰপঞ্চত ব্যতিৰেক।।
যেন মাটি বিনে স্থিতি নাহিকে ঘটৰ।
ঘট ব্যতিৰেকে মাটি থাকে নিৰন্তৰ।।৩৫
তুমি মাত্ৰ সঞ্চা মিছা আনৰূপ যত।
যেন নানা লতাচটা দেখিয়া বস্ত্ৰত।।
সূতা মাত্ৰ সঞ্চা পৰমাৰ্থ বিচাৰত।
এতেকে তুমিসে সত্য তিনিও লোকত।।৩৬
জানিয়া তোমাক ভজে যিটো মহাজন।
তযু গুণ নাম কৰে শ্ৰৱণ কীৰ্ত্তন।।
প্ৰেম নাম আনন্দ সাগৰ মাজে মাজে।
মুকুতি পদকো প্ৰভু তোম্মাক নোখোজে।। ৩৭
চাৰিয়ো বেদৰ তত্ত্ব তযুগুণ নাম।
যিজনে সুমৰে আক তেজি আন কাম।।
কায়বাক্যমনে লৱে শৰণ তোম্মাত।
সিসে অপ্ৰয়াসে এৰাই সংসাৰৰ হাত।।৩৮
তোম্মাৰ ভকতি সুখ অমৃত পৰম।
তেজি আক জ্ঞান পথে যিটো কৰে শ্ৰম।।
নিষ্ফল তাহাৰ শ্ৰম তোম্মাক নজানে।
চাউল আশা কৰি যে পতান বাহানে।।৩৯
যিটোজন ভৈল প্ৰভু তোম্মাৰ বিমুখ।
কদাচিতো সিটো নেৰাই সংসাৰৰ দুখ।।
ৰাত্ৰি দিনে সকাম কৰ্ম্মক মাত্ৰ কৰে।
স্বৰ্গ নৰকত আয়াযাত কৰি মৰে।।৪০

আনো নানা স্তুতি কৰি নাৰদ আছন্ত।
তাঙ্ক পাছে আশ্বাস কৰিয়া ভগৱন্ত।।
অনেক সাদৰে তাঙ্ক পুছিলন্ত পাছে।
কি কাৰ্য্যে আসিলা ঋষিৰাজ মোৰ কাছে।।৪১
পৰম সুহৃদ তুমি মোৰ প্ৰিয়তম।
নাহি আন ভকত নাৰদ তুমি সম।।
জগত পৱিত্ৰকাৰী তুমি মুনিবৰ।
কিবা কাৰ্য্য সাধো মোত কহিয়ো সত্তৰ।।৪২
হেন শুনি কৃষ্ণত নাৰদ নিগদতি।
তোম্মাৰ চৰণ আসি দেখিলো সম্প্ৰতি।।
আত পৰে আৰ কোন আছে প্ৰয়োজন।
তোম্মাৰ ভকতি প্ৰভু মোৰ মহাধন।।৪৩
মোৰ যেন কাম শুনিয়োক দেৱ হৰি।
সম্প্ৰতি আছাহা তুমি জগত সংহৰি।।
প্ৰলয়ৰ অন্তে সৃষ্টি কৰিবা দুনাই।
কেন কেন ৰূপে তাত দেখিবা গোসাঁই।।৪৪
যদি মোক অনুগ্ৰহ থাকে বাসুদেৱ।
কহিয়োক নিষ্টে চৰণত কৰো সেৱ।।
দেৱৰো দেৱতা তুমি জগত কাৰণ।
প্ৰভু ভগৱন্ত পূৰ্ণ ব্ৰহ্ম নাৰায়ণ।।৪৫
কহিয়ো নিঃশেষে মোত কৰিয়া নিশ্চয়।
শুনি হেন কথা পাছে কৃষ্ণ কৃপাময়।।
নাৰদক প্ৰতি মহা কৰুণা মিলল।
পৰম উৎসুকে তাঙ্ক কহিবে লাগিব।।৪৬
শুনা সভাসদ কথা কৃষ্ণৰ চৰিত্ৰ।
দুৰ্ল্লভ লভিছা জন্ম ভাৰত ভূমিত।।
কৃষ্ণৰ ভকতি বিনে ব্যৰ্থ যায় আয়ু।
কৈত কেতিক্ষণে পৰে ইটো প্ৰাণ বায়ু।।৪৭
দেৱ সৱো বাঞ্ছা কৰে মনুষ্য হুইবাক।
কিনো ভাগ্য অপ্ৰয়াসে পায়া আছা আক।।
কৃষ্ণৰেসে কৃপা অতি নাহি আন হেতু।
জানি সুখে তৰা ৰাম নাম বান্ধি সেতু।।৪৮
কলিৰ পৰম ধৰ্ম্ম নাম বিনে নাই।
বিচাৰিয়া দেখা গীতা ভাগৱত চাই।।
পৰম বান্ধৱ জানি মাধৱৰ নাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম।।৪৯

## দুলড়ি

গোৱিন্দ বদতি শুনা মুনিবৰ
পুছিলা যেন আপুনি।
পৰম ৰহস্য মোৰ জন্ম কথা
এক চিত্তে থাকা শুনি।।
ইহাৰ শ্ৰৱণে কীৰ্ত্তনে হৈবেক
সমস্ত পাপত শুদ্ধি।
অপ্ৰয়াসে মহা মুকুতি পাইবেক
মোত আছে যাৰ বুদ্ধি।।৫০
মৎস্য কুৰ্ম্ম মহা বৰাহ নৃসিংহ
বামন পৰশুৰাম।
শ্ৰীৰাম হলি ৰাম বুদ্ধ কল্কি
মোৰ দিব্য দশ নাম।।
এহি দশ ৰূপে আম্মাক দেখিবা
তুমি মহা মুনিৰাজ।
শুনা আৰে মই যেন যেন ৰূপে
কৰিবোহো যেন কাজ।।৫১
ব্ৰাহ্মণ সৱৰ মহা প্ৰীতিকৰ
মোৰ বেদ বাণী যত।
সিটো চাৰিবেদ যাইবে সৰে তল
প্ৰলয় মহা জলত।।
প্ৰথমতে মই হুইবো অৱতাৰ
কহো মৎস্যৰূপ ধৰি।
প্ৰলয় জলৰ হন্তে চাৰিবেদ*
আনিবোহো লীলা কৰি।।৫২
সপত সাগৰ হুইবে একতৰ
তাত মহা পীড়া পাই।
কৰিবন্ত মোক অনেক ভকতি
সত্যব্ৰত মহাৰায়।।
এহিৰূপে তাঙ্ক দিবোহো নিৰ্ভয়
পৃথিৱী নৌকাত তুলি।
অভকতে মৎস্য দেখিবে ভকতে
জানিবে ঈশ্বৰ বুলি।।৫৩

* বেদচয়

অমৃতৰ পদে মথিবে সাগৰ
যত দেৱাসুৰ বলে।
মন্দৰ পৰ্ব্বত সমুলঞ্চে তল
যাইবে সাগৰৰ জলে।।
তাৰ অৰ্থে মই হুইবো অৱতাৰ
কূৰ্ম্ম ৰূপ ভয়ঙ্কৰ।
তাহাক লীলায়ে পিঠিত কৰিয়া
তুলিবো গিৰি মন্দৰ।।৫৪
দুৰ্জ্জন সকলে আক্ৰমিবে ভূমি
তাত মহাপীড়া পাইব।
ভাৰ সহিবাক নপাৰি পৃথিৱী
ঘোৰ ৰসাতলে যাইব।।
হেন দেখি মই হুইবো অৱতাৰ
বৰাহ স্বৰূপ ধৰি।
পাতালৰ হন্তে আনিবো পৃথিৱী
দন্তৰ আগে উদ্ধাৰি।।৫৫
হিৰণ্যাক্ষ নামে দৈত্যক বধিবো
দান্তে চিৰি সমুদাই।।
শুনা মুনিবৰ পৰম কৌতুকে
থাকিবাহা লীলা চাই।।
হিৰণ্যকশিপু নামে ঘোৰ দৈত্য
হিৰণ্যৰ জ্যৈষ্ঠ ভাই।
তিনিও জগত কৰিবে অধীন
বিধাতাৰ বৰ পাই।।৫৬
মহা শুভ নৰ তাহান তনয়
বৈষ্ণৱ আতি প্ৰহ্লাদ।
মোক হিংসা পদে দুৰ্ব্বাৰ অসুৰে
কৰিবে তাঙ্ক বিবাদ।।
ভকতৰ দুখ দেখি মুনিবৰ
নসহে হৃদি আম্মাৰ।
তাহান দুখক খণ্ডিবাক লাগি
আসি হৈবো অৱতাৰ।।৫৭
অৰ্দ্ধেক শৰীৰ মনুষ্য আকাৰ
অৰ্দ্ধেক হৈবেক সিংহ।
মহাভয়ঙ্কৰ দিব্য কলেৱৰ
দেখিতে আতি বিৰিঙ্গ।।

দেখি সিটো মোক কৰিবেক যুদ্ধ
দৈত্য মহা অহঙ্কাৰী।
পৰম লীলায়ে বধিৱো তাহাক
হৃদয় নখে বিদাৰি।।৫৮
ভক্ত প্ৰহ্লাদক কৰিবো আশ্বাস
দেৱক দিবো নিৰ্ভয়।
এহি ৰূপে মোক দেখিবা আপুনি
তুমি মুনি মহাশয়।।
সত্য ত্ৰেতা দুই যুগৰ সন্ধ্যাত
অদিতিত হন্তে জাত।
হুইবন্ত দ্বাদশ আদিত্য কাশ্যপ
ঋষিৰ বীৰ্য্যে সাক্ষাত।।৫৯
তাসম্বাৰ বোলে স্বৰ্গৰ নিকালি
খেদাইবো গাৱৰ বলে।
পৃথিৱীত ভিক্ষা মাগি ফুৰিবন্ত
যতেক দেৱ সকলে।।
অদিতি আসিয়া মোক আৰাধিব
দেখি দুখ দেৱতাৰ।
অদিতিৰ গৰ্ভে বামন স্বৰূপে
হুইবো মই অৱতাৰ।।৬০
দেখি মোক আতি ব্ৰাহ্মণ সকলে
কৰিবে স্তুতি ভকতি।
বটু ৰূপ ধৰি চলি যাইবো পাছে
বলিৰ সভাক প্ৰতি।।
ছলিয়া বলিক পাতাল পঠাইবো
নাহিকে আত সংশয়।
পাছে দেৱ মানে নিজ নিজ স্থানে
থাপিয়ো দেৱতাচয়।।৬১
আপুনি উপেন্দ্ৰ হুয়া জগতৰ
খণ্ডিবো সৱে আপদ।
হেন দিব্য ৰূপে আহ্মাত সাক্ষাতে
দেখিবা তুমি নাৰদ।।
জন্ম ৰহস্যৰ কথা মনোহৰ
কহন্ত আপুনি হৰি।
পৰম কৌতুকে আছন্ত নাৰদ
শুনি একচিত্ত কৰি।।৬২

পৰম অমৃত কৃষ্ণৰ চৰিত্ৰ
শুনা সামাজিক লোক।
কৃষ্ণৰ চৰণে ধৰা এক মনে
পুৰুষ উদ্ধাৰ হোক।।
ভৈল অচেতন পৰে কেতিক্ষণ
ক্ষণিক ইটো শৰীৰ।
কৰে তল বল পদ্মৰ পাত্ৰত
জল যেন নুহি স্থিৰ।।৬৩
ভাৰত ভূমিত দুৰ্ল্লভ মনুষ্য
শৰীৰ আছাহা পাই।
কোটি কোটি জন্ম অন্তৰে সেন্থৰে
নপাইবা আক দুনাই।।
জন্ম চিন্তামণি সংসাৰ তৰণী
নেনা আক আলে জালে।
বিষয়তে আউল ভৈল যেন বাউল
গিলি আসিলেক কালে।।৬৪
জানিয়া কৃষ্ণৰ চৰণে শৰণ
লোৱা একচিত্ত কৰি।
শুনা সভাসদ হুয়া নিশবদ
কেন কৃপাময় হৰি।।
পুতনা পিশাচী দিলা বিষদান
কৃষ্ণক মাৰিবে মনে।
তথাপিতো তাইক জননীৰ গতি
দিলা প্ৰভু নাৰায়ণে।।৬৫
যাৰ সম নাই পাতকী পৰম
মহাপাপী অজামিল।
নামৰ আভাষে স্মৰণ মাত্ৰকে
তাকো বৈকুণ্ঠক নিল।।
এতেকে জানিবা নামৰ সমান
ধৰ্ম্ম নাহি সংসাৰত।
তেজি আন কাম কৰিয়া যতন
শৰণ লৈয়ো নামত।।৬৬
কলিৰ দুৰ্ঘোৰ পাপ সাগৰত
তৰিবাৰ সুখ পন্থ।
সাৰত্তৰ কৰি এহিসে কহয়
গীতা ভাগৱত গ্ৰন্থ।।

যাৰ আছে ইচ্ছা সংসাৰ সাগৰ
তৰিবাক কৰা কাম।
ৰচিলো মাধৱ নামে বান্ধৱ
জানি বোলা ৰাম ৰাম।।৬৭

**পদ**

মাধৱ বদতি শুনিয়োক মুনিবৰ।
মোহোৰ জন্মৰ কথা আত অনন্তৰ।।
জামদগ্নি নামে ঋষি হৈবন্ত প্ৰখ্যাত।
এক অংশে তাহান গৃহে হৈবো জাত।।৬৮
পৰ্শুৰাম নাম মোৰ হৈবেক প্ৰচাৰ।
শ্ৰেষ্ঠ অস্ত্ৰ হৈবে মোৰ পৰশুকুঠাৰ।।
দুৰ্জ্জন ক্ষত্ৰিয়সৱ কাটিবো অপাৰ।
মহাপাপী সৱ হুইব পৃথিৱীৰ ভাৰ।।৬৯
হাতত পৰশু ধৰি কৰিবো প্ৰয়াণ।
সপুত্ৰ বান্ধৱে তাক কৰিবো নিৰ্য্যাণ।।
বিচাৰিয়া পৃথিৱীত তিনি সাত বাৰ।
কৰিবো লীলায়ে ক্ষত্ৰিয়ক বুণ্ডামাৰ।।৭০
সপ্তদ্বীপা পৃথিৱীক নিক্ষত্ৰী কৰিবো।
সাতোখণ্ড ভূমি ব্ৰাহ্মণক দান দিবো।।
আপুনি থাকিবো ঋষি ধৰ্ম্মক আচৰি।
এহিৰূপে আম্মাক দেখিবা নিষ্ট কৰি।।৭১
দ্বাপৰৰ আদি ত্ৰেতা যুগৰ অন্তত।
হুইবো অৱতাৰ দুইৰো সন্ধ্যা সময়ত।।
দশৰথ ৰজাৰ গৃহত হৈবো জাত।
শ্ৰীৰাম নাম মোৰ হুইবেক প্ৰখ্যাত।।৭২
কৌশল্যা মাৰৰ কীৰ্ত্তি বঢ়াইবো বিস্তৰ।
কৰিবো বিৱাহ সীতা জীউ জনকৰ।।
অযোধ্যাত ভোগ পাছে ভুঞ্জিবো অশেষ।
যাইবো বনবাস পালি পিতৃৰ আদেশ।।৭৩
লক্ষ্মণ জানকী সমে বঞ্চিবো বনত।
কৰিবোহো ভোগ্য সুখে বন ফল যত।।
শূৰ্পণখা খুজিবেক বৰিবে আমাক।
কাটিব লক্ষ্মণে তাইৰ ধৰি কাণ নাক।।৭৪
চতুৰ্দ্দশ সহস্ৰ ৰাক্ষস সমন্বিতে।
খৰ দূষণক মই বধিবো তহিতে।।
মাৰিচৰ লৈবো প্ৰাণ মাৰি ঘোৰ শৰ।
আত অনন্তৰে কথা শুনা মুনিবৰ।।৭৫
নিবেক সীতাক হৰি দুৰ্জ্জনৰ ৰাৱণে।
লক্ষ্মণ সহিতে পাছে বিচাৰিব বনে।।
মৰিব জটায়ু পক্ষী সীতাক ৰাখন্তে।
পাইবো দৰিশন তাক সীতাক খোজন্তে।।৭৬
কৰিবো সমস্তে তান প্ৰেত কাৰ্য্য যত।
বিৰাধ কবন্ধ দুইকো বধিবো ৰণত।।
সুগ্ৰীৱ সহিতে পাছে সখিত্ব কৰিবো।
মহা লৱন্ত বালি ৰাজাক বধিবো।।৭৭
সুগ্ৰীৱক ৰাজ্য দিয়া সত্য সাম্ফলিবো।
সাগৰত বান্ধি সেতু লঙ্কাক চলিবো।।
দুৰ্জ্জন ৰাক্ষস মহা দেৱতাৰ বৈৰী।
যুদ্ধক আসিব খেদি হাতে অস্ত্ৰ ধৰি।।৭৮
মাৰিবো ৰণত তাক কৰিয়া নিগুটি।
আসিব ৰাৱণ পাছে কৰি আটিমুটি।।
বানৰ কটক মাৰিবেক ক্ৰোধ কৰি।
হেন দেখি হাতে দিব্য ব্ৰহ্ম অস্ত্ৰ ধৰি।।৭৯
মাৰিবো ৰাৱণ ঘোৰ দেৱৰ কণ্টক।
সপুত্ৰ বান্ধৱে তাক পঠাইবো যমক।।
হৰি পৃথিৱীৰ ভাৰ সাধি দেৱ কাজ।
বিভীষণ মিত্ৰক দিবোহো লংকাৰাজ।।৮০
কহো শুনিয়োক নিষ্ট কৰি মহামতী।
যাৰে থাকে চন্দ্ৰ সূৰ্য্য বায়ু বসুমতী।।
যাৰে ৰাম কথা মোৰ প্ৰচাৰে সাক্ষাত।
বিভীষণে তাৰে ৰাজ্য কৰিবে লঙ্কাত।।৮১
স্থাপি বিভীষণ পাছে আনিবোহো সীতা।
বানৰ ভালুক সমে যাইবো অযোধ্যা।।
পাইবে দুখ সমৰত ভালুক বানৰ।
তাসম্বাক প্ৰসাদে ৰঞ্জিবো নিৰন্তৰ।।৮২
ভাৰ্য্যা ভাতৃ সমে দশ হাজাৰ বৎসৰ।
ভুঞ্জিবোহো ৰাজ্য অযোধ্যাত নিৰন্তৰ।।
লীলাৰূপে পৃথিৱীৰ সঙ্কলিবো কাজ।
দ্বাপৰ যুগৰ অন্ত কলিৰ আদ্যত।
বসুদেৱ গৃহে দৈৱকীৰ উদৰত।।৮৪

ভাদ্রমাসে কৃষ্ণপক্ষ অষ্টমী তিথিত।
ৰোহিণী নক্ষত্ৰ আসি হৈবে উপস্থিত।।
অৰ্দ্ধৰাত্ৰি শুভগ্ৰহ শুভ সময়ত।
হৈব শান্ত চিত্ত সুৰ নৰ মুনি যত।।৮৫
তিনিও জগত শান্ত হৈবে সিবেলাত।
সুৰভী শীতল অনুক্ষণে হৈবে বাত।।
ব্ৰহ্মা আদি দেৱে কৰিবন্ত স্তুতি নতি।
হেন শুভ সময়ত হৈবো উতপতি।।৮৬
নিজৰূপে অৱতাৰ হুইবো মুনিবৰ।
দেখি পিতৃ-মাতৃ স্তুতি কৰিব বিস্তৰ।।
তাসম্বাৰ প্ৰীতি আতি সাধিবাক প্ৰতি।
হুইবো শিশুৰূপ পাছে তৈতে মহামতি।।৮৭
দেখি বসুদেৱে মোক কোলে তুলি লৈব।
কংসৰ ভয়ত নিয়া গোকুলত থৈব।।
বাসুদেৱ নাম মোৰ হৈবেক প্ৰচাৰ।
বঢ়াইবো আনন্দ আতি নন্দ-যশোদাৰ।।৮৮
কি কহিবো মোৰ বল বীৰ্য্যৰ মহিমা।
অনন্ত অচিন্ত্য প্ৰভাৱৰ নাহি সীমা।।
তথাপিতো কিছু কহোঁ শুনা মহামুনি।
যেন যেন কৰ্ম্ম মই কৰিবো আপুনি।।৮৯
পৰম পৱিত্ৰ কথা মোৰ জন্ম কৰ্ম্ম।
নাহি আত পৰে মনুষ্যৰ শ্ৰেষ্ঠ ধৰ্ম্ম।।
হুয়া একশৰণ আমাত যিটো নৰ।
শ্ৰৱণ কীৰ্ত্তন আক কৰে নিৰন্তৰ।।৯০
তৰিবেক সংসাৰৰ যত মহা দুখ।
গৃহতে থাকিয়া পাইবে মহা মোক্ষ সুখ।।
মোহোৰ পৰম প্ৰিয় নাহি তাত পৰে।
কি কহিবো মুনি সিটো মোক বশ্য কৰে।।৯১
হেন জানি মুনি তুমি পৰম কৌতুকে।
মোহোৰ জন্মৰ কথা শুনিয়ো উৎসুকে।।
নন্দ যশোদাৰ গৃহে থাকি বিদ্যমান।
লীলা কৰি অনেক দৈত্যৰ লৈবো প্ৰাণ।।৯২
প্ৰথমে মাৰিবে মোক আসিবে পুতনা।
কৰি স্তন পান তাইৰ শুষিবো চেতনা।।
ওভোটা শকটক চৰণ আঘাতে।
আকাশক নিবে মোক দৈত্য চক্ৰবাকে।।৯৩
মাৰিবো লীলায়ে তাক গলে চেপি ধৰি।
শিলত পেলাইবো তাক চুৰ্ণীকৃত কৰি।।
দধি ভাণ্ড ভাঙ্গিবাৰ পদে ধৰি আনি।
বান্ধিব যশোদা মাৱে উৰুখলে টানি।।৯৪
আছো মায়া পাশে বান্ধি জগত সকলে।
মোক বান্ধিবেক গোপী ভকতিৰ বলে।।
পৰম ঈশ্বৰ মই ভকতৰ বশ্য।
কহিলো তোমাত ইটো পৰম ৰহস্য।।৯৫
বান্ধে সমে তাত পাছে উৰল ঘসাই।
ঝমলা অৰ্জ্জুন দুই বৃক্ষত লগাই।
উভঞ্জিবো দুই বৃক্ষ মহালীলা কৰি।
কৰিবেক স্তুতি মোক দিব্য ৰূপ ধৰি।।৯৬
হুয়া তুষ্ট দুইকো পাছে দিবো অনুমতি।
যাইবে নিজ থানে দুয়ো কুবেৰ সন্ততি।।
এহিমতে কৰি লীলা গোকুলবাসীক।
আনন্দ বঢ়ায়া চিত্ত ৰঞ্জিবো অধিক।।৯৭
গোকুলৰ হন্তে পাছে যাইবো বৃন্দাবন।
কৰিবোহো ক্ৰীড়া লগে লৈয়া গোপগণ।।
যমুনা পুলিন বনে বাচৰু চাৰিবো।
গছত আছাৰি বৎস অসুৰ মাৰিবো।।৯৮
বক নামে অসুৰে গিলিবে ধৰি মোক।
দেখি গোপ শিশুগণে পাইবে মহা শোক।।
দেখি তাসম্বাৰ মহা প্ৰীতিক সাধিবো।
অগ্নি কুণ্ড যেন তাৰ তালুত লাগিবো।।৯৯
পায়া ছোট মোক পেলাইবেক বাজ কৰি।
চিৰিয়া মাৰিবো তাক হাতে ঠোট ধৰি।।
দেখি শিশু সৱে মহা আনন্দক পাইব।
বকৰ বধৰ কথা গোষ্ঠত জনাইব।।১০০
আসিবেক অঘাসুৰে ঘোৰ মায়া কৰি।
পন্থত থাকিবে চুম্পি সৰ্পৰূপ ধৰি।।
গোৰক্ষ দামুৰি সমে পশিবো গৰ্ভত।
গল ভেণ্টি কৰিবো তাহাৰ প্ৰাণ হত।। ১০১
মোৰ পৰশনে কৰ্ম্মবন্ধ হুয়া হীন।
অঘাসুৰ মোহোৰ চৰণে যাইব লীন।।
মোহোৰ মহিমা ব্ৰহ্মা পৰীক্ষা কৰিব।
চুৰি কৰি গোৰক্ষ দামুৰি সৱে নিব।।১০২

হেন দেখি মই পাছে নিজ যোগ বলে।
গোৰক্ষ দামুৰি সৱ হুইবো অৰিকলে।।
দেখিবেক মোৰ মহা মহিমা সকল।
মোহ নাম সাগৰত ব্ৰহ্মা যাইব তল।।১০৩
আপোনাৰ নিজৰূপ কৰিয়া সংহাৰ।
কৰিবো ব্ৰহ্মাক মোহ সাগৰে উদ্ধাৰ।।
কৰিবন্ত স্তুতি মোৰ বখানি মহিমা।
লৈয়া অনুমতি নিজ থানে যাইব ব্ৰহ্মা।।১০৪
আত অনন্তৰে মই সাধি দেৱ কাজ।
সাবান্ধৱে বধিবো ধেনুক দৈতৰাজ।।
ধৰি পাছ ভৰি হাতে তালক আছাৰি।
ভুঞ্জাইবো গোপক পকা তাল ফল পাৰি।।১০৫
কালিন্দীৰ হ্ৰদত বঞ্চিবে কালিসৰ্প।
তাহাকো দমিবো মই কৰি মহাদৰ্প।।
মৰিব গোৰক্ষ গৰু তাৰ পানী খাই।
কটাক্ষতে জীয়াইবো অমৃত দৃষ্টি চাই।।১০৬
তাক দমিবাক লাগি কৰিয়া মনত।
চৰিবোহো বস্ত্ৰ কাছি কদম্ব গছত।।
জাম্প দিয়া যমুনাৰ হ্ৰদত পৰিবো।
আছাৰিয়া বাহু মহা আনন্দে ক্ৰীড়িবো।।১০৭
খেদি আসি কালি মোক দেখি বিদ্যমানে।
দংশিবেক সিটো মোক লক্ষি মৰ্ম্মস্থানে।।
কৰিবেক বন্দী মোক লাঙ্গুলে মেড়াই।
থাকিবো ক্ষণিকে নৰ চেষ্টাক দেখাই।।১০৮
গোকুলৰ লোকে শোক পাইবে মোক চাই।
কান্দিব যশোদা গুণ বৰ্ণাই বৰ্ণাই।।
ভকতৰ দুখে হৃদি দহিবে সাক্ষাত।
কৰিয়া আছোট পাছে এৰাই তাৰ হাত।।১০৯
লাম্ফ দিয়া তাৰ শিৰে তৰিবো উৎসুকে।
শতেক শিৰত ৰঙ্গে নাচিবো কৌতুকে।।
মোৰ পয়োভৰে তাৰ ভাগিবেক শিৰ।
পায়া পীড়া নাকে মুখে চাদিব ৰুধিৰ।।১১০
স্বামী মৰে দেখি তাৰ পত্নীগণে আসি।
কৰিবেক তুতি মোৰ মহিমা প্ৰকাশি।।
তাসম্বাক তুষ্ট মই হুয়া আতিশয়।
দিবো সিটো কালি মহাসৰ্পক নিৰ্ভয়।।১১১

গুচাইবো নিকালি তৈৰ প্ৰাণ ৰাখি তাৰ।
কৰিবো নিৰ্ব্বিষ পাছে জল যমুনাৰ।।
তীৰত উঠিয়া বনাগ্নিক কৰি পান।
গোকুলবাসীৰ দুখ কৰিবো নিৰ্য্যাণ।।১১২
এহিমতে কৰি ক্ৰীড়া ফুৰিবো বনত।
মৰাইবো প্ৰলম্ব বলোভদ্ৰাৰ হাতত।।
গোপগৰু গণক বেড়িবে বনজুই।
আমাত শৰণ লৈবে উৰ্দ্ধমুখ হুই।।১১৩
তাসম্বাৰ সিটো মহা দুখ দূৰ কৰি।
বনজুইক কৰি পান আনিবো উদ্ধাৰি।।
মোক আশে ব্ৰত আচৰিবে গোপী যত।
তাসম্বাৰ বস্ত্ৰ লৈয়া চৰিবো বৃক্ষত।।১১৪
কৰি পৰিহাস বস্ত্ৰ দিবো ৰঙ্গমনে।
পূৰ্ণ মনোৰথ হুয়া যাইব গোপীগণে।।
কৰিবন্ত যজ্ঞ স্বৰ্গকামে বিপ্ৰলোক।
কৰ্ম্মতেসে মগ্ন মন নজানিবে মোক।।১১৫
তাসম্বাৰ মহা কৰ্ম্ম গৰ্ব্ব কৰি ছন্ন।
প্ৰসাদে ৰঞ্জিবো যত বিপ্ৰ পত্নীগণ।।
তাৰ পাছে গোকুলত কৰি মহাৰঙ্গ।
লীলায়ে কৰিবো মহেন্দ্ৰৰ মখভঙ্গ।।১১৬
আপুনি ভুঞ্জিবো যজ্ঞ বঞ্চিয়া ইন্দ্ৰক।
দেখিয়া বাসৱে কোপ কৰিবে ব্ৰজক।।
আপুনি ঈশ্বৰ মই বুলি হৈবে অন্ধ।
গোকুলক মাৰিবেক কৰিবে প্ৰবন্ধ।।১১৭
লগে লৈয়া সম্বৰ্ত্তক মহা মেঘগণ।
গোকুলক ঢাকি কৰিবেক বৰিষণ।।
পায়া পীড়া গাই গৰু গোপ গোপীগণ।
ত্ৰাহি কৃষ্ণ বুলি মোত লৈবেক শৰণ।।১১৮
হেন দেখি বাসৱৰ গৰ্ব্ব চুৰ কৰি।
ৰাখিবো গোকুল হাতে গোৱৰ্দ্ধন ধৰি।।
সাত দিন একে হাতে ধৰি মন্দৰক।
গৰ্ব্ব নামে পৰ্ব্বতৰ নমাইবো ইন্দ্ৰক।।১১৯
নুচুইবেক গোকুলক ঘোৰ বৃষ্টিবাতে।
দেখিবেক মোৰ নিজ ৰূপক সাক্ষাতে।।
কৰিবেক ইন্দ্ৰে বাত বৃষ্টি ভয়ঙ্কৰ।
নোম লাড়িবেক নোৱাৰিবে গোকুলৰ।।১২০

নিৱৰ্ত্তিয়া যাইব ইন্দ্ৰ হুয়া মহা লাজ।
পূৰ্ব্বৰতে স্থাপিবো মন্দৰ মুনিৰাজ।।
মিলিবে ঈশ্বৰ জ্ঞান ব্ৰজৰ লোকৰ।
মোহোৰ গুণক বৰ্ণাইৱন্ত নিৰন্তৰ।।১২১
নিৱৰ্ত্তিল যেৱে বাত বৃষ্টি নিৰন্তৰ।
থাকিবোহো একেশ্বৰ গিৰিৰ ভিতৰ।।
সেহিবেলা ইন্দ্ৰে আসি সুৰভি সহিত।
কৰিবন্ত তুতি মোক হুয়া ভয়ভীত।।১২২
তাহাঙ্ক আশ্বাস পাছে বুলি মুনিবৰ।
কৰিবো সংবাদ ইন্দ্ৰ সহিতে বিস্তৰ।।
ভয়হীন ইন্দ্ৰে সমে সুৰভি প্ৰত্যেক।
গোৰ ইন্দ্ৰ পাতি মোক কৰি অভিষেক।।১২৩
সেহি দিনা আমাৰ গোৱিন্দ নাম থৈয়া।
যাইবন্ত স্বৰ্গক মোৰ অনুমতি লৈয়া।।
তাত পাছে নন্দে কৰি একাদশী ব্ৰত।
প্ৰভাতে দিবন্ত বুৰ যমুনা জলত।।১২৪
তাহাঙ্ক নিবেক বৰুণৰ দূতে ধৰি।
লীলায়ে আনিবো মই নন্দক উদ্ধাৰি।।
অদ্ভুত দেখিয়া মোৰ মহিমা বিস্তৰ।
হুইবেক ঈশ্বৰ জ্ঞান সৱে গোকুলৰ।।১২৫
দেখিবো বৈকুণ্ঠ বুলি নৰ-নাৰীগণ।
আমাৰ সমীপ নচাৰিব একোজন।।
হেন দেখি তাসম্বাক লীলা ভঙ্গ কৰি।
সৱাকো দেখাইবো নিয়া বৈকুণ্ঠ নগৰী।।১২৬
পৰম সুন্দৰ মোৰ দেখি কলেৱৰ।
কৰিব ভকতি সৱে গোপী নিৰন্তৰ।।
পূৰিবোহো গোপীকাৰ মনোৰথ যত।
কৰিবোহো ৰাস ক্ৰীড়া শৰত কালত।।১২৭
কাম নামে সাগৰত গোপীক তাৰিবো।
অনন্তৰে শঙ্খচূড় যক্ষক মাৰিবো।।
নন্দক গিলিব ঘোৰ অজগৰে ধৰি।
আমাত শৰণ লৈবে আৰ্ত্তনাদ কৰি।।১২৮
দেখিয়া নন্দক কৰি সৰ্পত মুকুত।
গোকুলবাসীৰ প্ৰীতি সাধিবো বহুত।।
ঘোৰ বৃষ ৰূপে দৈত্য আসিবে অৰিষ্ট।
মোৰ ভকতৰ দুষ্টে চিন্তিবে অনিষ্ট।।১২৯
হেন দেখি ভকতৰ সাধি উপকাৰ।
তাৰো প্ৰাণ লৈবো পকাই মূচৰিয়া ঘাৰ।।
তাৰ পাছে কেশীক পাঞ্চিব কংসৰায়।
হয় ৰূপ ধৰি গোকুলক যাইব ধাই।।১৩০
তাহাৰ ভয়ত গৰু গোপ গোপীগণ।
ত্ৰাহি কৃষ্ণ বুলি লৈবে আমাত শৰণ।।
দেখি অসুৰৰ মহাদৰ্প কৰি চূৰ।
লীলায়ে মাৰিবো তাক নিবো যমপুৰ।।১৩১
মোহোৰ কথাক তুমি কংসত জনাই।
কৰিবাহা তুতি মোক নিৰ্জনত পাই।।
ব্যোম নামে মহাদুষ্ট দৈত্যক মাৰিবো।
ভয়হন্তে গোপ শিশুগণক তাৰিবো।।১৩২
এহিমতে ভকতজনৰ প্ৰীতি কৰি।
বঢ়াইবো আনন্দ লীলা নৰৰূপ ধৰি।।
দেখিবা আনন্দ মোৰ তুমি মহামতি।
গোকুলৰ লীলা এহিমানে সমাপতি।।১৩৩
পৰম সুহৃদ মোৰ তুমি মুনিবৰ।
শুনা পাছে কথা আৰ আত অনন্তৰ।।
কৃষ্ণৰ জন্মৰ কথা অমৃততোধিক।
শুনা এক চিত্তমনে সৱে সামাজিক।।১৩৪
কৃষ্ণ জন্ম কৰ্ম্ম চাৰি যুগ মধ্যে সাৰ।
শ্ৰৱণ-কীৰ্ত্তনে আৰ তৰিয়ো সংসাৰ।।
পুত্ৰ ধন জন জায়া মায়াময় জানি।
হুয়া এক শৰণ ভজিয়ো চক্ৰপাণি।।১৩৫
দেৱতো উত্তম ইটো মনুষ্য শৰীৰ।
কেতিক্ষণে পৰে কায় তাৰো নাহি থিৰ।।
অনেক জন্মৰ মহাপুণ্য ধন দিয়া।
মনুষ্য শৰীৰ নৌকা অছাহা কিনিয়া।। ১৩৬
দুখ নামে সাগৰত তৰিবাক প্ৰতি।
যাৱে নতু ভাগে নাৱ তৰিয়ো সম্প্ৰতি।।
একাদশ ইন্দ্ৰ নতু হোৱন্তে বিকল।
যাৱে নতু কৰে ব্যাধি শৰীৰ দুৰ্ব্বল।।১৩৭
তাৱে কৃষ্ণ কথা কৰা শ্ৰৱণ-কীৰ্ত্তন।
মুকুতি সুখক প্ৰতি যাৰ আছে মন।।
শৌনকৰ আগে সূতে কহিলা পূৰ্ব্বত।
কৰি সাৰোদ্ধাৰ সৰ্ব্ব শাস্ত্ৰৰ সম্মত।।১৩৮

যিসৱ কথাত আছে কৃষ্ণগুণ নাম।
তাকে মাত্র সেৱা কৰিবেক অৱিশ্ৰাম।।
এহি মানে পৰম কৰ্ত্তব্য মনুষ্যৰ।
হেন জানি কৃষ্ণক ভজিয়ো সৱে নৰ।।১৩৯
দূৰতে কৰিয়ো ত্যাগ আন যত কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।

## ছবি

গোৱিন্দ বদতি কথা শুনিয়োক মুনিবৰ
কংস নামে আমাৰ মোমাই।[৩]
মাৰিবাক মনে দুষ্ট আমাক নিবাক প্ৰতি
অক্ৰূৰক দিবেক পঠাই।।
তান লগে মহাৰঙ্গে গোপগণ লৈয়া সঙ্গে
ৰথে চৰি যাইবো মথুৰাক।
মোহোৰ বিয়োগ দেখি যতেক গোপিনী সখি
কান্দিবেক দিয়া দীৰ্ঘ ডাক।।১৪০
দূতবাক্যে আসম্বাক বুলিয়া আশ্বাস বাক
প্ৰয়াণ কৰিবো কৌতুহলে।
মধ্যাহ্ন কৰিবো বুলি মোক ৰথে থৈয়া তুলি
মজিব অক্ৰূৰ গৈয়া জলে।।
নিজৰূপে তাঙ্ক পাছে দিবো দেখা জল মাজে
দেখি মোক হৈব সচকিত।
আমাথেৰ কৃষ্ণ এন্তে তাহান হেনসে ৰূপ
বুলি তুতি কৰিব বহুত।।১৪১
পাছে সংহৰিবো ৰূপ নেদেখিয়া হৈয়া চুপ
জলহন্তে উঠিব অক্ৰূৰ।
যথা চম্বু কৰি ৰথ ধৰি মথুৰাৰ পথ
অনন্তৰে পাইবো মধুপুৰ।।
অক্ৰূৰক পঠাই ঘৰ পশিবো মথুৰা নগৰ[৪]
লৈয়া সঙ্গে গোপ শিশুজাক।
মথুৰাৰ নাৰীগণে পৰম আনন্দমনে
জুমা জুমি চাহিবে আমাক।।১৪২
কৰিয়া সৱাকো দায়া কটাক্ষ নয়নে চায়া
তাসম্বাৰ মনোৰথ পূৰি।
ধৰি ৰূপ বিপৰীত ৰঞ্জিয়া সৱাৰো চিত
নগৰ চাহিবো পাছে ফুৰি।।
পদূলি পদূলি দ্বিজ গণে পায়া মোক লাগ
অৰ্চ্চিবন্ত পৰম সাদৰে।
ধোবা দিব্য বস্ত্ৰ লৈয়া কংসক যোগাইবে গৈয়া
তাক লাগ পাইবো অনন্তৰে।।১৪৩
নপায়া কাপোৰ খুজি কোপে অহঙ্কাৰ বুজি
চৰৰে চিণ্ডিবো মুণ্ড তাৰ।
হুয়া আতি মহাভয় তাৰ লগৰীয়া চয়
পলাইবে বস্ত্ৰৰ পেলাই ভাৰ।।
ভাল ভাল বস্ত্ৰ বাছি লৈয়া গোপগণে কাছি
ৰাজপথে ফুৰিবো আনন্দে।
পাছে মোক বেশকাৰ লাগ পায়া নমস্কাৰ
কৰি বস্ত্ৰ পিন্ধাইব প্ৰবন্ধে।।১৪৪
তুষ্ট আতি হুয়া তাক বুলিয়া মধুৰ বাক
সাৰূপ্য মুকুতি দিবো ৰঙ্গে।
মালাকাৰ সুদামাৰ বাড়ীক চলিয়া যাইবো
গোপ শিশুগণ লৈয়া সঙ্গে।।
দেখি মোক মালাকাৰ কৰিবেক নমস্কাৰ
সুগন্ধ কুসুমচয় আনি।
পিন্ধাই অঙ্গ মুণ্ডমালা কৰি কৃতাঞ্জলি পাছে
বুলিবে অনেক তুতি বাণী।।১৪৫
হুয়া তুষ্ট বহুতৰ দিবো তাঙ্ক ইষ্ট বৰ
অনন্তৰে তৈৰ চলি যাইবো।
সুগন্ধ চন্দন লই কংসত যোগাইবে গই
পথত কুঁজিত ভেণ্ট পাইবো।।
তাইৰ ছাপিয়া পাশ খুজিবো চন্দন মই
বুলি আতি মধুৰ বচন।
মোৰ বাক্যে তুলি মন সুন্দৰী সাদৰি মোক
পিন্ধাইবে আপুনি চন্দন।।১৪৬
তুষ্ট হুয়া তাৰ ফল দেখাইবো লগতে মই
তাইৰ আতি প্ৰীতি সাধি মনে।
তাইৰ জাণ্টিয়া ভৰি[৫] হাতে চিবুকত ধৰি
কুঁজ পোন[৬] কৰিবো তেখনে।।

পা. ৩। মমাই ৪। নগৰ পশিবো গৈয়া ৫। ভৰিত জাণ্টিয়া তৰি ৬। কুঁজসম

মোহোৰ পৰশ পাই দিব্যৰূপ ধৰি তাই
কামে মোক বুলিবে বচন।
হাসিয়া হাতত ধৰি তাইক আশ্বাস কৰি
তৈৰপৰা কৰিবো গমন।।১৪৭
কুসুম চন্দন বস্ত্রে হুয়া আতি জাতিষ্কাৰ
ফুৰিবোহো নগৰ পৰ্য্যটি।
ধনুৰ্যাগ শালা পশি লগাই আতি ধসমসি
ধনুক ভাঙ্গিবো কৰি চাটি।।
দেখিয়া ৰখীয়া সেনা গণ কৰি ক্রোধ মন
ধাইব হাতে অস্ত্র শস্ত্র ধৰি।
লৈয়া ভগা ধনুখণ্ড কৰি মহা ৰণ্ড ভণ্ড
সৱাকো বধিবো লীলা কৰি।।১৪৮
কংসে সেনা পাঞ্চে যত তাকো সৱে কৰি হত
তৈৰ পৰা বাজ হুইবো পাছে।
গোপ সঙ্গে দধি ভাত খায়া সুখে মথুৰাত
থাকিবোহো নগৰৰ কাছে।
ভয়ে নিদ্রা পৰিহৰি কংসে পাছে যত্ন কৰি
ৰঙ্গশালা কৰিব নিৰ্ম্মাণ।
মল্লৰ দুন্দুভি ধ্বনি ৰজনী প্ৰভাতে শুনি
গোপসৱে কৰিবো প্ৰয়াণ।।১৪৯
কুৱলয় পীড় গজ ৰাজ দুৱাৰত বহি
হস্তিয়াৰ অম্বষ্ঠে সহিত।
থাকিবে আমাক চুম্পি প্ৰথমতে পায়া লাগ
বুজিবোহো তাহাৰ ইঙ্গিত।।
ভূমিত পাৰিয়া ধৰি কুম্ভস্থলে দিয়া ভৰি
দশন উভাৰি লৈবো তুলি।
হস্তি হস্তিয়াৰ সমে পৰম আনন্দমনে
মাৰিবোহো কোবায় সমূলি।।১৫০
কুৱলড় পীড় মাৰি কান্ধত দশন বাড়ি
ধৰি মহা নটবৰ বেশ।
সমজ্যাৰ ৰঞ্জি চিত্ত গোপগণ সমন্বিত
হুইবো ৰঙ্গশালাত প্ৰৱেশ।।
দেখি তনু বজ্রময় মালসৱো হুইবে ভয়
সামান্য দেখিব নৰবৰ।
মূৰ্ত্তিমন্ত কাম যেন দেখিবেক নাৰী গণ
মিলিবে মনত কামজ্বৰ।।১৫১

গোৱাল সকলে মোক আমাৰ বান্ধৱ বুলি
হাসিবেক মহাৰঙ্গমনে।
আমাৰেসে শত্রু বুলি হুইবে মহা ভয় ভীত
দেখি মোক দুষ্ট ৰাজাগণে।।
বসুদেৱ দৈৱকীয়ো আমাক তনয় বুলি
দেখি সকৰুণ হৈব চিত্ত।
এৰিবে নয়ন নীৰ শোকে তনু নুহি থিৰ
কান্দিবেক পৰিয়া ভূমিত।।১৫২
মোৰ এহি মৃত্যু বুলি দেখিবেক কংসৰায়
শিশু মোক দেখিব অজ্ঞানী।
সমাধিত চিন্তি যাক সেহি এহি ব্ৰহ্মতত্ত্ব
দেখি মানিবেক ব্ৰহ্মজ্ঞানী।।
ভকতসকলে মোক সাক্ষাতে ঈশ্বৰ মানি
মিলিবেক প্ৰেম আনি মনে।
ভকতিৰ আনন্দত সিহঁৰিবে লোম যত
ঝৰিবেক লোতক নয়নে।।১৫৩
এহি দশ ৰূপে মোক দেখিবে সকলো লোক
নখণ্ডিব মনৰ তৃপিতি।
মোৰ গুণ গণ যত বৰ্ণাইবেক আনন্দত
নৰ-নাৰীগণে চতুৰ্ভিতি।
পাছে মল্ল যুদ্ধ কৰি পৰম লীলায়ে ধৰি
সাধিয়া লোকৰ উপকাৰ।
চাণূৰ মুষ্টিক শল্ল তোষল্ল প্ৰমুখ্য কৰি
মালৰ চিন্তিবো বুণ্ডামাৰ।।১৫৪
মালৰ দেখিয়া বধ ক্রোধে আতি হুয়া অন্ধ
বল্কিবেক কংস দুৰাচাৰ।
চুলে ধৰি ঘণ্টা লাড়ি পৃথিৱী তলত পাৰি
অপ্ৰয়াসে প্ৰাণ লৈবো তাৰ।।
কেশত ধৰিয়া তাক দেখাই আতি সমজ্যাক
কৌতূহলে ফুৰাইবো ঘসাই।
দেখি কদৰ্থন তাৰ কৰিবেক হাহাকাৰ
সমজ্যাৰ লোকে চুই চাই।।১৫৫
ভুঞ্জন্তে ভ্ৰমন্তে সিটো শোৱন্তে পীয়ন্তে মোক
আগতে দেখিব সৰ্ব্বক্ষণে।
এতেকে মোহোৰ ৰূপ ধৰি মহাৰঙ্গ মনে
চলি যাইব বৈকুণ্ঠ ভুৱনে।।

পাছে গোপগণ সঙ্গে অঙ্গি ভঙ্গি কৰি ৰঙ্গে
নাচিবোহো চৰণ চলাই।
আকাশত দেৱগণে পুষ্প বৰষিব ঘনে
মোৰ যত গুণ গীত গাই।।১৫৬
ভাইৰ মান সাধো বুলি হাতে অস্ত্ৰ শস্ত্ৰ তুলি
কংসৰ কনিষ্ঠ অষ্ট ভাই।
ধাইবে মোক ক্ৰোধ কৰি হাতে মুষলক ধৰি
মাৰিবোহো সৱাকে কোবাই।।
বসুদেৱ দৈৱকীৰ বন্ধন ছোড়িবো পাছে
প্ৰীতি আতি সাধি তাসম্বাৰ।
ভকতিৰ বশ্য হুই শিৰে চৰণক চুই
কৰিবোহো পৰি নমস্কাৰ।।১৫৭
পাছে মোক দুয়ো প্ৰাণী পৰম ঈশ্বৰ জানি
হুয়া ভয় থাকিবে সংকোচি।
মুহিবো কৰিয়া মায়া পুত্ৰ বুলি হৈব দয়া
লৈবে কোলে নেত্ৰজল মুচি।।
মই সুপ্ৰসন্ন যাৰ দুৰ্ল্লভ নাহিকে তাৰ
মোহোৰ ঈশ্বৰ মহাজ্ঞান।
মোত অনুক্ষণে পুত্ৰ বুদ্ধি স্নেহ বঢ়াইবেক
ইসি মহা দুৰ্ল্লভ প্ৰধান।।১৫৮
অনন্তৰে উগ্ৰসেন কংসৰ পিতৃক আনি
কৰিবোহো ৰাজ্য অভিষেক।
শিৰে শ্বেত ছত্ৰ তুলি ধৱল চামৰে ধূলি
বুলিবোহো আশ্বাস অনেক।
কংস ৰায়ৰ নিগ্ৰহত আমাৰ ভকত যত
পাইব মহা অনেক নিকাৰ।
বচনে সাদৰ কৰি মহাৰত্নে গৃহ ভৰি
সাধিবো সৱাৰো উপকাৰ।।১৫৯
জ্ঞাতিক ৰঞ্জিয়া পাছে গোপগণ যৈত আছে
তৈকে লাগি কৰিবো গমন।
তাসম্বাৰ পূৰি মন দিবোহো অনেক ধন
বুলি আতি মধুৰ বচন।।
শিৰে নমস্কাৰ কৰি নন্দক সাৱটি ধৰি
বাক্যে তান চিত্তক তুষিবো।
কুসুম চন্দন গন্ধে বস্ত্ৰ অলঙ্কাৰে মণ্ডি
নন্দ আদি গোপক ভূষিবো।।১৬০
আদৰ কৰিয়া আতি প্ৰবোধিয়া বুলি মাতি
পাছে তাক পঠাইবো গোকুলে।
যশোদা প্ৰমুখ্যে যত গোপী মোৰ বিৰহত
কান্দিবেক অনেক আকুলে।।
এহিমতে মুনিৰাজ সাধি দেৱতাৰ কাজ
খণ্ডি পৃথিৱীৰ মহাভাৰ।
ভকতৰ ৰঞ্জি চিত্ত কৰি লীলা বিপৰীত
বঢ়াইবোহো আনন্দ অপাৰ।।১৬১
মোৰ লীলা যত যত দেখিবাহা আনন্দত
তুমি মুনিবৰ মহামতি।
পৰম অমৃতময় মোহোৰ চৰিত্ৰচয়
আতপৰে শুনিয়ো সম্প্ৰতি।।
কৃষ্ণৰ চৰণে মন দিয়া সামাজিকগণ
দেখা কেনে কেশৱৰ লীলা।
মহাপাপী দুৰাচাৰ পৰম ঘাতুক কংস
তাকো আপোনাৰ ৰূপ দিলা।।১৬২
যিটো মহাভক্তি ভাৱে ভজয় কৃষ্ণৰ পাৱে
তাহাৰ মহিমা কৈবো কিক।
হেনয় কৃষ্ণক তেজি চিতনি দুখত মজি
সিজনৰ জন্ম ধিকধিক।।
কলিযুগে আতপৰ নাহি ধৰ্ম্ম মনুষ্যৰ
বিচাৰি শাস্ত্ৰৰ লোৱা মজ্জা।
কৃষ্ণত নকৰি ৰতি কলিত নপাইবা গতি
জানি মাধৱৰ পাৱে ভজা।।
তৰিবা সংসাৰ দুখ লভিবা মুকুতি সুখ
মুখে লোৱা মাধৱৰ নাম।
পৰম মূৰুখমতি কহয় মাধৱ দাসে
নিৰন্তৰে বোলা ৰাম ৰাম।।১৬৪

## পদ

গোবিন্দ বদতি শুনিয়োক মুনিৰাজ।[৫]
কংসক বধিয়া সাধি দেৱতাৰ কাজ।।
পৃথিৱীৰ মহাভাৰ হৰি অবিকলে।
পিতৃৰ মাতৃৰ প্ৰীতি সাধিবো সকলে।।১৬৫
যাদৱগণক দুখ সাগৰত তাৰি।
যজ্ঞসূত্ৰ লৈয়া পাছে হৈবো ব্ৰহ্মচাৰী।।

ব্ৰহ্মচৰ্য্য ধৰি নৰ চেষ্টাক দেখাইবো।
গুৰুৰ গৃহক শাস্ত্ৰ পঢ়িবাক যাইবো।।১৬৬
জয়ন্তি দেশৰ বিপ্ৰ সান্দীপনি নাম।
তাঙ্ক গুৰু মানি লৈয়া কৰিবো প্ৰণাম।।
প্ৰবন্ধ কৰিয়া শাস্ত্ৰ পঢ়িবো নিঃশেষে।
জানিবো চৌষষ্ঠী কলা চৌষষ্ঠী দিৱসে।।১৬৭
মৰাপুত্ৰ গুৰুক দক্ষিণা আনি দিবো।
গুৰুত অনুজ্ঞা লৈয়া গৃহক আসিবো।।
স্বৰ্গতো অধিক স্থান মথুৰা পুৰীত।
বঞ্চিবো আনন্দে সমস্তৰে ৰঞ্জি চিত্ত।।১৬৮
শুনিয়োক আতপৰে মুনি মহাশয়।
মোহোৰ বিয়োগে যত গোপ গোপীচয়।।
শোক নামে সাগৰত মজিব সমূলি।
কান্দিবেক ৰাত্ৰি দিনে হা কৃষ্ণ বুলি।।১৬৯
ধ্বজ বজ্ৰ পঙ্কজ যৱ অঙ্কুশে শোভিত।
মোৰ খোজ চয় গৈয়া দেখিব ভূমিত।।
সুমৰি পৰম মোৰ ৰহস্য আলাপ।
গৃহকৃত্য সৱ তেজি কৰিব বিলাপ।।১৭০
সিটো গোপীসৱ মোৰ ভক্ত বিপৰীত।
তনুমাত্ৰ গৃহত মোতেসে হৈব চিত।।
প্ৰেম ভকতিত মোক কৰিব অধীন।
নপাৰিবো সুজিবাক গোপীকাৰ ঋণ।।১৭১
যদ্যপি ঈশ্বৰ মই কোটি ব্ৰহ্মাণ্ডৰ।
তথাপি অধীন মই ভকতজনৰ।।
ভকতত পৰে মোৰ প্ৰিয় নাহি আন।
কহিলো স্বৰূপ মই মুনি মোৰ প্ৰাণ।।১৭২
বৃষ্ণিৰ বংশত উপগৌৰৰ তনয়।
হৈবন্ত উদ্ধৱ মোৰ ভক্ত আতিশয়।।
গোকুলক লাগি পাছে অহাঙ্ক পঠাইবো।
বচন সন্দেসে পাছে ব্ৰজক জুৰাইবো।।১৭৩
কুবুজীৰ মনোৰথ পূৰি অনন্তৰে।
অক্ৰূৰৰ গৃহক যাইবোহো তাত পৰে।।
পায়া মোক অৰ্চ্চিব অক্ৰূৰ মহামতি।
মোহোৰ মহিমা দেখি কৰিবেক তুতি।।১৭৪
অনেক আশ্বাস মই কৰি অক্ৰূৰক।
পৰম আনন্দে পাছে চলিবো গৃহক।।

মথুৰাবাসীৰ চিত্ত ৰঞ্জি অনুক্ষণ।
বঞ্চিবোহো পিতৃৰ গৃহত ৰঙ্গমন।।১৭৫
আত অনন্তৰে কথা শুনা মুনিবৰ।
জৰাসন্ধ নামে ৰাজা শশুৰ কংসৰ।।
জীয়েকৰ মুখত জমাইৰ বধ শুনি।
সঙ্গে লৈয়া সাজি সেনা তেইশ অক্ষৌহিণী।।১৭৬
মথুৰা বেঢ়িবে গৈয়া আতি আৰম্বৰে।
তাৰ সেনাগণ মানে মাৰিবো সমৰে।।
দুনাই তেইশ অক্ষৌহিণী সাজি দিবে ধাৰ।
তাক ৰণে মাৰিয়া কৰিবো বুন্দামাৰ।।১৭৭
এহিমতে মাগধক সপ্তদশ বাৰ।
তাক ৰণে মাৰিয়া কৰিবো বুন্দামাৰ।।
দুনাই তেইশ অক্ষৌহিণী সাজিব দুৰ্জ্জনে।
সেহি সময়ত সাজি আসিব যৱনে।।১৭৮
মনুষ্যৰ শ্ৰেষ্ঠ আতি দেখাই মুনিৰাজ।
নিৰ্ম্মিবো দ্বাৰকাপুৰী পয়োনিধি মাজ।।
মথুৰাবাসীক পাছে নিজ যোগবলে।
মথুৰাপুৰিক লাগি নিবো অৰিকলে।।১৭৯
দুনাই মথুৰাক আসি নিজ ৰূপ ধৰি।
যৱনক দেখাই চলি যাইবো লীলা কৰি।।
দেখি কালযৱনে পাছে পাছে খেদি।
যাইবো তাক নিবো বিদূৰক লাগ নেদি।।১৮০
অলক্ষিতৰূপে পশি গিৰি গহ্বৰত।
মৰাইবো যৱন মুচুকুন্দৰ হাতত।
পাছে মোক ৰাজা নিজৰূপে ভেণ্টপাই।
কৰিব অনেক তুতি মুচুকুন্দ ৰায়।।১৮১
তাহাঙ্ক আশ্বাসি গহ্বৰৰ বাজ হুইবো।
কাল যৱনৰ সৱে সেনাক বধিবো।।
জৰাসন্ধ ভয়ে দেখাই লীলা মনুষ্যৰ।
পলাই চলিবো পাছে গিৰিৰ শিখৰ।।১৮২
হেন দেখি মোক পাছে মাৰিবে প্ৰবন্ধে।
পৰ্ব্বত বেঢ়িয়া জুই দিবে জৰাসন্ধে।।
এঘাৰ যোজন চৰা পৰ্ব্বত শিখৰ।
তাৰ পৰা দেৰে পাইবো দ্বাৰকা নগৰ।।১৮৩
আত অনন্তৰে কথা শুনা মুনিবৰ।
বঢ়াইবো আনন্দ আতি যাদৱ বংশৰ।।

দ্বাৰকাত পাতি সভা দেৱতো অধিক।
গৃহতে মিলাইবো আনি বাসৱৰ শ্ৰীক।।১৮৪
অনন্তৰে হৰি আনি ভীষ্মকৰ জীক।
কৰিবো উৎসুকে বিহা দেৱী ৰুক্মিণীক।।
পাইবো কন্যা জাম্বৱতী মণিৰ নিমিত্তে।
সত্যভামা নামে কন্যা দিবে সত্ৰাজিতে।।১৮৫
ভদ্ৰা সত্যা লক্ষণা কালিন্দী নগ্নজিতি।
কৰিবো বিৱাহ আনি পৰম তৃপিতি।।
ৰুক্মিণীক বুলিবোহো পৰিহাস ৱাক।
হৈবন্ত মূৰ্চ্ছিত দেৱী নুবুজিয়া তাক।১৮৬
তাঙ্ক আশ্বাসিবো চতুৰ্ভূজ ৰূপ ধৰি।
উলটাই তুতি মোক কৰিব সুন্দৰী।।
দেৱৰ নিমিত্তে গৰুড়ত চৰি ৰঙ্গে।
সত্যভামা নামে মহিষীক লৈয়া সঙ্গে।।১৮৭
একেশ্বৰে প্ৰাগ্‌জ্যোতিষক যাইবো চলি।
সমৰত বধিবো অসুৰ মহাবলী।।
পৃথিৱীৰ শত্ৰু নৰকক কৰি হত।
পাইবো কন্যা ষোড়শ হাজাৰ একশত।।১৮৮
সৱাহাঙ্ক পঠাই দিবো দ্বাৰকা পুৰিক।
অমৃত কুণ্ডল আনি দিবো অদিতিক।।
সত্যভামা দেৱীৰ নিমিত্তে পাৰিজাত।
বাসৱক খুজি মই নাপাইবো সাক্ষাত।।১৮৯
আনিবো উভাৰি ৰঙ্গে আপুনাৰ বলে।
কৰিব সমৰ মোক দেখি আখণ্ডলে।।
জিনিবো কৌতুকে বাসৱক সমৰত।
ৰুইবো পাৰিজাত সত্যভামা দুৱাৰত।।১৯০
কৰি ভিন্ন ভিন্ন মই কন্যাক সকলে।
একে দিনে বিৱাহ কৰিবো যোগবলে।।
অষ্টাধিক একশত ষোড়শ হাজাৰ।
গৃহত কৰিবো পাছে অনেক বিহাৰ।।১৯১
দিবন্ত আপুনি ইন্দ্ৰে সুধৰ্ম্মা সভাক।
দেখি ত্ৰিজগতে নমস্কাৰ কৰে যাক।।
মোহোৰ প্ৰসাদে তাক পায়া যদুগণে।
ভৰি দিয়া চটকি ফুৰিবে ৰঙ্গমনে।।১৯২
দশদিকপালৰ সম্পত্তি সৱে আনি।
যাদৱ বংশক দিবো শুনা মহামানী।।
হৈব উতপতি মোৰ একৈক ভাৰ্য্যাত।
এক কন্যা দশ দশ তনয় সাক্ষাত।।১৯৩
তাসম্বাৰ পুত্ৰ নাতি হৈব অপৰ্য্যন্ত।
তাৰ সংখ্যা কৰি মুনি কোনে পাইব অন্ত।।
ৰুক্মিণীত হৈবন্ত প্ৰদ্যুম্ন উৎপতি।
তান পুত্ৰ হৈব অনিৰুদ্ধ মহামতি।।১৯৪
মোৰ পুত্ৰ হৈবে যত শুনা লেখা তাৰ।
একলক্ষ আশী আৰু চৌষষ্ঠী হাজাৰ।।
মোহোৰ গৃহস্থ ধৰ্ম্ম দেখিবাক প্ৰতি।
দ্বাৰকাক লাগি তুমি যাইবা মহামতি।।১৯৫
মোৰ মায়া বিভৱক দেখি বিপৰীত।
তুমি মহামুনিৰ মোহিত হৈব চিত।।
মোহোৰ কৃপাত মোহ গুচিবে তোমাৰ।
মোৰ যশ গুণ যত কৰিবা প্ৰচাৰ।।১৯৬
গৃহস্থৰ ধৰ্ম্ম আচৰিবো অসংখ্যাত।
সমস্তে দেখিবা তুমি থাকিয়া তথাত।।
অনিৰুদ্ধ কুমাৰৰ বিৱাহ কালত।
মৰাইবো  ৰুক্মিক বলোভদ্ৰৰ হাতত।।১৯৭
ঊষা নামে কন্যা বাণ ৰজাৰ কুমাৰী।
অনিৰুদ্ধ নাতিক নিয়াইব চুৰি কৰি।।
ঊষাৰ গৃহক পায়া বাণে তাঙ্ক ধৰি।
একেশ্বৰে কুমাৰক থৈবে বন্দী কৰি।।১৯৮
তোমাৰ মুখত পাছে তান বাৰ্ত্তা শুনি।
সমদলে যুজিবাক যাইবোহো আপুনি।।
তাক ৰাখিবাক লাগি হৰে যুজিবন্ত।
মোৰ বিজৃম্ভন শৰে মোহিত হৈবন্ত।।১৯৯
হাজাৰেক হাতে বাণে মোক যুজিবেক।
বাণে সমে যুদ্ধ মই কৰিবো অনেক।।
তাৰ ভূজ ছেদ ৰঙ্গে কৰিবো সমৰে।
হেন দেখি তুতি মোক কৰিবেক হৰে।।২০০
তান তুতি শুনি তুষ্ট হুয়া আতিশয়।
চাৰিহাত ৰাখি দিবো বাণক নিৰ্ভয়।।
দিবে কন্যাসমে কুমাৰক বাজ কৰি।
বৰ কন্যা লৈয়া যাইবো আপুন নগৰী।।২০১
ষোড়শ হাজাৰ দিব্য গৃহত আমাৰ।
মনুষ্যৰ দেখাই লীলা কৰিবো বিহাৰ।।

ক্ষণেক নপাই মোক মহিষীসকলে।
বৰ্ণাইবেক মোৰ গুণ চিত্ত উত্ৰাৰলে।।২০২
হৰিদ্বেষী ধন্ধ পাপী ৰাজা জৰাসন্ধ।
ভক্ত ৰাজাগণ বন্দী কৰি থৈবে মন্দ।।
তাসম্বাক ৰাখিবাক কৰিয়া প্ৰবন্ধ।
ভীমৰ হাতত তাৰ নিপাতিবো কন্ধ।।২০৩
সমস্ত ৰাজাৰ পাছে চোড়িয়া বন্ধন।
নিজ ৰূপে তাসম্বাক দিবো দৰিশন।।
দেখি তাসম্বাক সৱ তাপ হৈবে দূৰ।
বৰ্ণাইবে আনন্দে মোৰ মহিমা প্ৰচুৰ।।২০৪
সৱাহাঙ্কো দিয়া বস্ত্ৰ ভূষণ আশেষ।
চিত্তক সন্তোষি পাছে পঠাই দিবো দেশ।।
যুধিষ্ঠিৰ ৰাজা মোক পায়া তুষ্ট হুই।
পৰম উৎসুকে কৰিবন্ত ৰাজসূই।।২০৫
ত্ৰৈলোক্যৰ সম্পত্তি মিলাই তানঘৰে।
অৰ্চ্চিবন্ত ৰাজা মোক পৰম সাদৰে।।
মোক নিন্দা বুলিবেক শিশুপাল বীৰ।
চক্ৰ হানি লীলায়ে ছেদিবো তাৰ শিৰ।।২০৬
তাৰ তেজ পূজ আসি মোতে লীন হৈব।
দেখি সমজ্যাৰ লোকে আশ্চৰ্য্য মানিব।।
দেখিয়া অদ্ভুত পাছে যুধিষ্ঠিৰ ৰায়।
তোমাত পুচিব পাচে পৰম সংশয়।।২০৭
পৰম আনন্দে মোৰ ভক্তিৰ মহত্ত।
সমস্তে কহিবা তুমি তাহান আগত।।
শুনি নৃপতিৰ শঙ্কা গুচিবে মনৰ।
কৰিবন্ত ৰাজা মোত ভকতি বিস্তৰ।।২০৮
আত অনন্তৰে শুনিয়োক মুনিবৰ।
শাল্বনামে ৰাজা মহা বৈৰী যাৱদৰ।।
আকাশত চলে সৌভ নগৰী তাহাৰ।
যাদৱ বংশক কৰিবেক অপকাৰ।।২০৯
তাক মাৰি সৌভক ভাঙ্গিবো ক্ষেপি চক্ৰ।
বধিবো ৰণত বিদূৰথ দন্ত বক্ৰ।।
চক্ৰধৰি খেদি যাইবো বাৰাণসী তীৰ।
কাশীৰাজা পৌণ্ড্ৰকৰ ছেদিবোহো শিৰ।।২১০
সুদক্ষিণ নামে কাশী ৰাজাৰ তনয়।
তাক মাৰি কাশীক দহিবো মহাশয়।।
যাইবো কুৰুক্ষেত্ৰে চলি সূৰ্য্য গ্ৰহণত।
কৰাইবোহো যজ্ঞ বসুদেৱৰ তথাত।২১১
আপুনি কৰিবো ব্ৰাহ্মণক সতকাৰ।
মোৰ মান্য পায়া গৰ্ব্ব বাঢ়িব তাহাৰ।।
নন্দ-যশোদাক মান্য কৰিবো তহিত।
প্ৰিয় বাক্যে সন্তোষিবো গোপীকাৰ চিত্ত।।২১২
তাসম্বাৰ দুখ যত গুচাইবো নিশেষ।
প্ৰেম ভকতিৰ পথ দিবো উপদেশ।।
অত্যন্ত দৰিদ্ৰ বিপ্ৰ নামে দামোদৰ।
ভাৰ্য্যাৰ বচনে যাইব দ্বাৰকা নগৰ।।২১৩
কৰিবো সাদৰ তাঙ্ক মহামন তুষ্টি।
খাইবো তান লৈয়া চাউল চিৰা এক মুঠি।।
কৰো ভকতৰ অল্প বস্তুক বিস্তৰ।
পৰম ভকত মোত সিটো দ্বিজবৰ।।২১৪
তাঙ্ক আলিঙ্গিয়া মহা আনন্দক পাইবো।
ইন্দ্ৰৰ সম্পত্তি তান গৃহতে মিলাইবো।।
দৈৱকী প্ৰাৰ্থিব মোত অনেক বিনয়।
আনি দিবো তাহান মৃতক পুত্ৰচয়।।২১৫
কৰিয়া সাম্ফল অৰ্জ্জুনৰ অঙ্গীকাৰ।
দিবো আনি মৰা যত বিপ্ৰৰ কুমাৰ।।
ভক্তবৰ্গসমে যাইবো মিথিলা নগৰ।
পৰম ভকত শ্ৰুতদেৱ জনকৰ।।২১৬
হুইয়া তুষ্ট দুইহানো পূৰিবো মনোৰথ।
দিবো উপদেশ প্ৰেম ভকতিৰ পথ।।
যদুবীৰ গণে সমে কৰিবো বিহাৰ।
নৃগনামে নৃপতিক কৰিবো উদ্ধাৰ।।২১৭
লগায় বিৰাদ ঘোৰ কুৰু পাণ্ডৱৰ।
ৰথৰ সাৰথি পাছে হৈবো অৰ্জ্জুনৰ।।
পাণ্ডৱ সহিতে কৌৰৱৰ লৈবো প্ৰাণ।
অষ্টাদশ অক্ষৌহিণী কৰিবো নিৰ্য্যাণ।।২১৮
মোৰ দিব্যৰূপ দেখি লাগিবেক ধ্যান।
মুখপঙ্কজক নেত্ৰে কৰিবেক পান।।
সেহিবেলা কাটিবেক অৰ্জ্জুনৰ শৰে।
মোহোৰ সমান ৰূপ পাইব নিৰন্তৰে।।২১৯

অনেজ জন্মৰ দুৰ্ব্বাসনা কৰি ক্ষয়।
মহাসুখে যাইবো চলি বৈকুণ্ঠ নিলয়।।
কৌৰৱক মাৰি পাণ্ডৱক দিবো ৰাজ।
পৃথিৱীৰ ভাৰ খণ্ডি সম্বলিবো কাজ।।২২০
এহিমতে কৰি যত লীলা মনুষ্যৰ।
থাকিবোহো দ্বাৰকাত অনেক বৎসৰ।।
নিজ যশ গুণ থৈবো পৃথিৱীত ভৰি।
তাক শুনি যাইবে লোক সংসাৰক তৰি[৮]।।২২১
কৰিয়া বিস্তাৰ নিজ পুণ্য কীৰ্ত্তিচয়।
গঙ্গাক কৰিবো তুচ্ছ জানা মহাশয়।।
হুয়া একশৰণ আমাত যিটো জন।
কলিৰ যুগত কৰি শ্ৰৱণ কীৰ্ত্তন।।২২২
এতেকতে মহাপাপী চাণ্ডাল পৰ্য্যন্তে।
বৈকুণ্ঠক পাইবে জানা সংসাৰৰ হন্তে।।
আত অনন্তৰে শুনা ঋষি সৰ্ব্বজনে।
বিপ্ৰশাপ চলে কৰি বংশক নিৰ্য্যাণ।।২২৩
নিজৰূপে বৈকুণ্ঠক কৰিবো প্ৰয়াণ।
এহিৰূপে আমাক দেখিবা বিদ্যমান।।
কৃষ্ণ জন্ম কৰ্ম্ম কথা শুনিয়ো সমাজে।
দুৰ্ল্লভ লভিছা জন্ম ভাৰতৰ মাজে।।২২৪
ভকতজনৰ সঙ্গ লৈয়া যত্ন কৰি।
কৃষ্ণ কথা অমৃতক পিয়া কৰ্ণভৰি।।
এতেকে তৰিবা ঘোৰ সংসাৰ সাগৰে।
কলিযুগে ধৰ্ম্ম আৰ নাহি আতপৰে।।২২৫
তপ জপ যজ্ঞ দান তীৰ্থ ব্ৰত যত।
অপ্ৰয়াসে সিজে সৱে নামৰ লগত।।
কৃষ্ণ কৃষ্ণ উচ্চাৰিয়া যাই যিটো নৰে।
তাৰ পাছে যান্ত কৃষ্ণ চক্ৰ ধৰি কৰে।।২২৬
নছাৰন্ত স্নেহে হৰিভকতৰ কাছ।
যেন ধেনু স্নেহত বৎসৰ নেৰে পাছ।।
হেনয় কৃষ্ণৰ নাম কিয় এৰা মুখে।
যাক স্মৰি চাণ্ডালো সংসাৰ তৰে সুখে।।২২৭
জানিয়া সমস্ত লোকে তেজি আন কাম।
পাপৰ ভাণ্ডাৰ খোলা বোলা ৰাম ৰাম।।

**দুলড়ি**

গোৱিন্দ বদতি শুনা মহামতি
আত পৰে কথা যত।
দ্বাপৰ গুচিয়া হুইবে আসি ঘোৰ
কলিযুগ উপগত।।
হেন দেখি সৌধ দানৱ তনয়
হুইবে বোধ অৱতাৰ।
বোধ শাস্ত্ৰ কৰি পাষণ্ড আচাৰে
মুহিব মন সৱাৰ[৯]।।২২৮
হুয়া বিমোহিত ফুৰিব কলিত
পাপ কৰি দিনে ৰাতি।
অন্তৰত হীন বাহিৰত চিন
ধৰ্ম্মক ধৰিবে আতি।।
হাতে গলে শিৰে তুলসী ৰুদ্ৰাক্ষ
মালা পিন্ধি জোটাজোট।
মুণ্ড মুণ্ডি পিন্ধি কপিন কাপৰি
দিয়া চৰাচৰ ফোঁট।।২২৯
হাতত তামৰ খাৰু কমণ্ডলু
কান্ধত খনতা পাৰি।
কাৰো কাখে জুলি ঘসি ভস্ম ধূলি
কাৰো ভোবোকাৰ ডাৰি।।
পৰম হংসৰ বেশ ধৰি কতো
কতো বোলাই ব্ৰহ্মচাৰী।
হামো মহাযোগী বোলাই ফুৰিবেক
কতো লগে লৈয়া নাৰী।।২৩০
কণ্ঠাখনতা তামৰ কুণ্ডল
মৃগৰ চৰ্ম্ম পাৰি।
আসন ভিৰিয়া মঠ ধৰি থাকে
মনে চিন্তে পৰ নাৰী।।
গীতা ভাগৱত এৰি তাৰ তত্ত্ব
কুমন্ত্ৰ কথা চেঞ্চাই।
সিটো দুৰ্জ্জনৰ সঙ্গ লব যিটো
তাকো সেহি মতি পাই।।২৩১
ধৰ্ম্মধ্বজ কৰি এহিমতে নৰে
ফুৰিবেক নানা দেশ।

পা. ৮। সংসাৰ নিস্তৰি, ৯। মুহিবো সৱাৰো আৰ

এন্তে ব্ৰহ্ম বুলি আগো কৰি কতো
তাতে লৈবে উপদেশ।।
হৰি নাম ধ্বজ আগো কৰি কতো
কৰিবে বেদ লুপুত।
দিবে মন্ত্ৰ সূত্ৰ বোলাই গুৰু পুত্ৰ
কৰিয়া আতি গুপুত।।২৩২
পঢ়িবে পাসৰি অনেক চাতুৰি
বুলিয়া মধুৰ বাক।
কবি গুৰু মান পূৰ্ণ সজ্জা দান
দিবেক নিজ ভাৰ্য্যাক।।
জাতি অজাতিয়ে একত্ৰে ভুঞ্জিবে
হুইবে সৰে জাতি ভ্ৰষ্ট।
এহিমতে লোকে ফুৰিবে কলিত
বেদপন্থ কৰি নষ্ট।।২৩৩
ডম্বৰু বজাই তপস্বী বোলাই
ফুৰিবে কতো অজ্ঞান।
মই যেবে বোধ ভৈলো আসি শূদ্ৰে
শূদ্ৰক দিবেক দান।।
কলিযুগে পাপ সাগৰত তল
যাইবে লোক নিৰন্তৰ।
ইহ লোকে পৰ লোকে যত ধৰ্ম্ম
গুচিবে সৰে লোকৰ।।২৩৪
পাষণ্ড জনৰ পাছ লাগি যিটো
ফুৰয় কলি যুগত।
কৈলো নিষ্ঠ কথা নাই অন্য কথা
পৰিবেক নৰকত।।
সত্য শৌচ ধৰ্ম্ম সবে গুচিবেক
কলিযুগে মনুষ্যৰ।
গুচিবে আচাৰ বেদৰ বিচাৰ
লৈব পথ পাষণ্ডৰ।।২৩৫
কলিৰ যুগত হৈবে অল্প আয়ু
যতেক লোক সকল।
অল্প শস্য অতি হৈবে বসুমতী
মেঘে হৈবে অল্প জল।।

সকলে ধেনুত অল্প দুগ্ধ হৈবে
দুগ্ধত নহৈবে ঘৃত।
ব্ৰাহ্মণ সকলে বেদ পাঠ এৰি
কৰিবে অকৰ্ম্ম যত।।২৩৬
সন্ধ্যা বন্দনাদি বলি বিশ্বদেৱ
অগ্নি হোত্ৰ পৰিহৰি।
শিষ্ণ উদৰক তৰ্পিবাক প্ৰতি
ফুৰিবেক যত্ন কৰি।।
উত্তম জাতিৰ ব্ৰাহ্মণ সকলে
অজাতিৰ লৈবে দান।
ব্ৰাহ্মণৰ চিহ্ন যজ্ঞসূত্ৰ মাত্ৰ
নাথাকিবে ধৰ্ম্ম আন।।২৩৭
তপ ধৰ্ম্ম মানে সবে গুচিবেক
অধৰ্ম্মে জুৰিবে ৰাজ।
হুয়া অল্প মতি মহন্ত সকলো
কৰিবে যত অকাজ।।
শাস্ত্ৰৰ বিহিত এৰি কৰিবেক
যাৰ যেন মন ইচ্ছা।
পাত্ৰ সকলৰ বুজিবেক বল
সাক্ষী মাতিবেক মিছা।।২৩৮
পিতৃৰ বচন পুত্ৰে নুশুনিবে
ভৃত্য জনে গৰাকীৰ[১০]।।
সাধু জন মহা দৰিদ্ৰ হৈবেক
দুষ্ট জন ধনৱন্ত।
মহন্তক চোৰ টেটোন বুলিবে
দুৰ্জ্জন বোলাইবে সন্ত।।
অধৰ্ম্মে ধৰ্ম্মৰ জিনিবে সত্যক
জিনিবে মিছা বচনে।
পুৰুষৰ স্ত্ৰীয়ে জিনিবে সত্যক
জিনিবেক ভৃত্য গণে।।
কনিষ্ঠে জ্যেষ্ঠক জিনিবে পিতৃক
পুত্ৰে জিনিবেক দণ্ডে।
বলীক নিৰ্ব্বলী জিনিবে কলিত
ভালক জিনিবেক মন্দে।।২৪০

পা. ১০। ঈশ্বৰ

মূৰ্খে পণ্ডিতক জিনিবে গুৰুক
জিনিবে শিষ্যগণে।
ন্যায়ক অন্যায়ে জিনিবে নিন্দিবে
সাধুক পাষণ্ডজনে।।
গুৰুপূজ্য নষ্ট হৈবেক শিষ্যৰ
কাঢ়িবে গৰ্ব্ব অপাৰ।
কন্যাগণে দশ দ্বাদশ বৰিষে
গৰ্ভৰ বহিবে ভাৰ।।২৪১
সপ্তম অষ্টম বৰিষে নাৰীৰ
হুইবেক পুষ্প উৎসৱ।
কলিযুগে কন্যা- গণে কৰিবেক
সঘনে পুত্ৰ প্ৰসৱ।।
ভাৰ্য্যাৰ স্বামীৰ হুইবেক সদায়ে
শ্ৰত্ৰুত অধিক মতি।
আপোনাৰ নিজ স্বামী তেজি নাৰী
ভজিবেক উপপতি।।২৪২
ষোড়শ বৎসৰ ভৈলে যুৱতীৰ
পৰিবে তন যৌৱন।
পাষণ্ড সকলে কৰিবে প্ৰকাশ
বেদপন্থ হৈবে ছন্ন।।
কলিৰ মনুষ্য অধৰ্ম্মত পৰে
নজানিবে ধৰ্ম্ম আৰ।
অপদেৱতাক পূজি বুলিবেক
পুৰুষ ভৈল উদ্ধাৰ।।২৪৩
হংসিনী ছাগিনী কাটি দিয়া বলি
পূজিবেক কটোৰালী।
সৰেও জোকাৰি দিয়া বাৰে বাৰ
বাটত বঢ়াইবে চালি।।
আপুনিও একো ধৰ্ম্ম নকৰিব
পৰক নিদিবে ৰণ্ড।
মোহোৰ একান্ত ভকত জনক
বুলিবে ভৈলা পাষণ্ড।।২৪৪
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ চাৰি
জাতি হৈবে একাকাৰ।
কলি যুগে বৰ্ণা- বৰ্ণ নজানিবে
গুচিবে লোক আচাৰ।।

সদায়ে কলিৰ লোকৰ হৃদয়
মলিন হৈবে অপাৰ
পাতকী জনৰ ধৰ্ম্মত কৰ্ম্মত
নুহিবেক অধিকাৰ।।২৪৫
ৰাম হেন ইটো দুগুটি অক্ষৰ
সদায়ে আদৰে গাৱে।
দুৰ্ঘোৰ সংসাৰ সাগৰ তৰিয়া
মুকুতিক সুখে পাৱে।।
অনেক মনুষ্য নাৰায়ণ পৰ
হৈবেক কলিযুগত।
সত্যাদিৰ লোকে কলিত জনম
বাঞ্চিবে সদা মনত।।২৪৬
শাস্ত্ৰ সমাধি পূজা যজ্ঞ দান
সমস্ত শ্ৰম এড়াই।
মহাসুখে মোক্ষ লভিবে কলিত
মোৰ নাম গুণ গাই।।
এতেকে কলিক চাৰিযুগ মাজে
উত্তম বুলি বখানি।
মহন্ত সকলে কৰন্ত প্ৰশংসা
কলিৰ গুণক জানি।।২৪৭
কেৱল কলিত মোৰ গুণ নাম
শ্ৰৱণ কীৰ্ত্তন কৰি।
এতেকে কৰ্ম্মৰ বন্ধন এড়ায়া
যাইবে সংসাৰক তৰি।।
কলিযুগে মহা ধন্য শূদ্ৰো হৈব
স্ত্ৰীকো ধন্য বখানিব।
নাহি শৌচাচাৰ বেদ অধিকাৰ
ৰড়ি মাত্ৰ ৰাম বাণী।।২৪৮
এতেকতে মহা দুৰ্ল্লভ মুকুতি
পদ অপ্ৰয়াসে পাৱে।
অনেক জনমো জ্ঞানী কৰ্ম্মীজনে
প্ৰবন্ধে যাক নপাৱে।।
মহাপাপী অন্ত্য জাতিয়ো নিস্তৰে
কলিযুগে কীৰ্ত্তনত।
শুনা মুনিবৰ কলিৰ যুগৰ
কহিবো কত মহত।।২৪৯

জানিবা কলিত মোৰ নাম বিনে
নথাকিব আন ধৰ্ম্ম।
গীতা ভাগৱত আদি কৰি যত
শাস্ত্ৰৰ কহিলো মৰ্ম্ম।।
হেনয় কলিত জন্ম লভি যিটো
হৰিৰ নাম নধৰে।
সিটো মলমতি মনুষ্যে আপুনি
আত্মঘাত কৰি মৰে।।২৫০
কলিৰ ভয়ত পলাই ধৰ্ম্ম যত
নামত লৈবে শৰণ।
সমস্ত ধৰ্ম্মক সিটো পাইবে লাগ
যি কৰে নাম কীৰ্ত্তন।।
স্বভাৱে জানিবা সমস্ত ধৰ্ম্মৰ
মোহোৰ নামেসে ৰাজা।
আন ধৰ্ম্ম যত নামৰ কিঙ্কৰ
কহিলো শাস্ত্ৰৰ মজ্জা।।২৫১
কলিত নামেসে কলিত নামেসে
নামেসে গতি লোকৰ।
মোহোৰ নামেসে জানিবা নিশ্চয়
স্বধৰ্ম্ম কলিযুগৰ।।
সমস্তে জগত যাইবে তল কলি
পাপ সাগৰৰ মাজে।
সকলো লোককে গ্ৰাসিবেক কলি
হৰি ভকতত বাজে।।২৫২
কলিৰ যুগত মহাম্লেচ্ছ যত
ফুৰিবে ৰাজা বোলাই।
এৰি ৰাজনীতি ডকাইতৰ ৰীতি
ধৰিবে ৰাজা সদাই।।
অৰ্থৰ নিমিত্তে মনুষ্যক যেন
খাইবেক ছিণ্ডিয়া বলে।
সৰ্ব্বস্ব আগ্ৰহী লৈবেক নিগ্ৰহী
মিছাবাদ দিয়া ছলে।।২৫৩
ৰাজবংশী মানে সৰে নিমজিবে
যাৰ বল সেহি ৰাজা।
নাথাকিব সুখ পাইবে মহা দুখ
কলিৰ যতেক প্ৰজা।।

অধৰ্ম্মৰ বলে বাঢ়িবেক শ্ৰী
দেখিবে মহা কুশল।
ৰণে শত্ৰু যত জিনিবে পাছত
সমুলঞ্চে জাইব তল।।২৫৪
মোহোৰ নামৰ পাষণ্ড সকলে
ফুৰিবে কৰি ধিক্কাৰ।
মহাপাপী সৱ দুৰ্জ্জন সকল
পৃথিৱীৰ হুইবে ভাৰ।।
হেন দেখি মই হুইবো অৱতাৰ
কল্কি ৰূপে বিপৰীত।
বিষ্ণু যশা পিতৃ হৈবন্ত আমাৰ
যাজ্ঞবল্ক্য পুৰোহিত।।২৫৫
ঘোটকত চাৰি হাতে খাণ্ডা ধৰি
বধিবো যত পাষণ্ড।
সমস্থ ম্লেছক উচ্ছাদিবো কাটি
কৰিবোহো খণ্ড খণ্ড।।
ৰাখিয়া সজ্জন বধিবো দুৰ্জ্জন
খণ্ডিবো ভূমিৰ ভাৰ।
বোধ শাস্ত্ৰ মানে সমস্তে গুচাইবো
কৰিবো বেদ প্ৰচাৰ।।২৫৬
অনেক সুৱৰ্ণ দিবোহো দক্ষিণা
যজিবো যজ্ঞ বিস্তৰ।
পুনৰপি আমি সত্য প্ৰৱৰ্ত্তাইবো
গুচাইবো দুখ লোকৰ।।
পাতালৰ পৰা বলিক আনিয়া
দিবো তাঙ্ক ইন্দ্ৰপদ।
ত্ৰৈলোক্যৰ লোক হুইবে মহা সুখী
গুচিবে যত আপদ।।২৫৭
শুনা মুনিবৰ মোহোৰ জন্মৰ
কৰ্ম্মৰ নাহিকে অন্ত।
এতেকে সকল শাস্ত্ৰত প্ৰসিদ্ধ
মোহোৰ নাম অনন্ত।।
কৰি সাৰোদ্ধাৰ আগত তোহ্মাৰ
কৈলো মুনি ইটো মৰ্ম্ম।
সমস্ত বেদৰ ইসে সাৰোদ্ধাৰ
মনুষ্যৰ শ্ৰেষ্ঠ ধৰ্ম্ম।।২৫৮

একান্ত শৰণে যিটো শুনে ভণে
মোহোৰ জন্মৰ কথা।
জগত দুৰ্ল্লভ যদি হোৱে তাৰ
সুলভ হৈবে সৰ্ব্বথা।।
ব্ৰহ্মবধ সুৰা পান মিত্ৰ দ্ৰোহ
কৃতঘ্ন পাপ আচৰে।
অগম্যাগমন কৰে যিটো জন
সুৱৰ্ণক চুৰি কৰে।।২৫৯
সংসাৰ মধ্যত আনো আছে যত
মহা মহা পাপী জন।
ইহাৰ শ্ৰৱণে কীৰ্ত্তনে হুইবেক
সমস্তে পাপ মোচন।।
প্ৰভাতে উঠিয়া মোৰ জন্ম কৰ্ম্ম
অনুদিনে যিটো গাৱে।
দেৱলোক অতি- ক্ৰমি সিটো নৰে
মোৰ লোক সুখ পাৱে।।২৬০
মোৰ জন্ম কৰ্ম্ম যদ্যপি পৰম
গোপনী কথা সাক্ষাত।
তুমি সি মোহোৰ হৃদয় জানিয়া
তথাপি কৈলো তোমাত।।
এতেক বুলিয়া মুনিৰ আগত
মৌন ভৈলা লক্ষ্মীপতি।
জন্ম ৰহস্যৰ কথা মনোহৰ
এহিমানে সমাপতি।।২৬১
নমো নাৰায়ণ জগত কাৰণ
কৰো লক্ষ কোটি সেৱ।।
মহা মূঢ়মতি দেখিয়া সম্প্ৰতি
মোহোৰ আপুন মনে।
হুয়া বিৰচিলো তযু জন্ম কৰ্ম্ম
ভকত বৎসল গুণে।।২৬২
নমো লক্ষ্মীপতি চৰণে প্ৰণতি
প্ৰণামো হুয়ো সন্তোষ।
মই মূঢ়মতি অজ্ঞানীৰ মোৰ
বঢ়া টুটা যত দোষ।।

শ্ৰীমন্ত শঙ্কৰ সৰ্ব্বগুণাকৰ
সাক্ষাতে কৃষ্ণৰ অংশ।
দৈৱকী তনয় যিটো কৃপাময়
উদ্ধাৰিলা যদু বংশ।।২৬৩
পৰম গম্ভীৰ মহাযশী ধীৰ
নামত শঙ্কৰ দেৱ।
কৰুণা সদন পাষণ্ড মৰ্দ্দন
যাক সম নাহি কেৱ।।
দায়ামন্ত সন্ত শীতল স্বভাৱ
পৰম গুণে মহন্ত।
কৃষ্ণৰ ভকতি পন্থ প্ৰকাশিয়া
পাতকীক তাৰিলন্ত।।২৬৪
কলিযুগে পাপ পয়োনিধি মাজে
মজিলা লোক সমূলি।
সমস্ত লোকক কৰিলা উদ্ধাৰ
কৃষ্ণ নাম নৌকা মেলি।।[১১]
এন্তে মোৰ মহা গুৰু পিতৃ হুয়া
উদ্ধাৰিলা নৰকৰ।
দিয়া ভক্তি দান পালন্ত পোষন্ত
পুত্ৰত কৰি বিস্তৰ।।২৬৫
তাহান চৰণে লৈয়া অনুমতি
প্ৰণতি কৰি সৰ্ব্বথা।
মুৰুখ মাধৱ দাসে বিৰচিল
জন্ম ৰহস্যৰ কথা।।

## ছবি

শনিয়োক সভাসদ জন্ম ৰহস্যৰ কথা
সাক্ষাতে অমৃতো সম নুই।
পদত দূষণ পাই নিন্দিবাক নুযুৱাই
বোলো হেৰা কৃতাঞ্জলি হুই।।
ভাগৱত মিশ্ৰ দিয়া আছো পদ নিবন্ধিয়া
আত যদি কিছু ছিদ্ৰ থাকে।
তথাপি নেদিবা দোষ নকৰিবা অসন্তোষ
কিন্তু ক্ষমা কৰিবা আমাক।।২৬৬

পা. ১১। কৃষ্ণ নাম নাৱেদলি

যি কিছু দেখিয়া বঢ়া ইটো অপৰাধ এৰা
আত দোষ নেদিবা বিস্তৰ।
কৃষ্ণ কথা হেন জানি নিন্দা নুবুলিবা বাণী
ক্ষমাসে ভূষণ মহন্তৰ।।
যদি কৰা নিন্দাবাণী বোলো তাকো লাভ জানি
কৰো অৱনত কৃতাঞ্জলি।
কিন্তু সিটো মাত্র মহা মনত তৃপিতি হোক
মোক নিন্দা অহঙ্কাৰী বুলি।।২৬৭
মোত আতি কৰি কষ্ট নিজ পুণ্য কৰি নষ্ট
মোৰ মহাপাপ কৰি ছন্ন।
তাক নিক্ষেপিলো পাই মোত পৰে আন নাই[১২]
সংসাৰত মহাপাপীজন।।
ইকথা থাকোক পৰি মোৰ অপৰাধ এৰি
শুনা সৱে সামাজিকজন।
কালসৰ্পে আসি গিলে যাইব জীৱ একে তিলে
মিলে মৃত্যু কাৰ কেতিক্ষণ।।২৬৮
হুয়া মহা সাৰধান কৃষ্ণ কথা কৰা পান
লৈয়ো এক কৃষ্ণত শৰণ।
মুখে ৰাম নাম ৰড়ি ৰূপ হৃদয়ত ধৰি
কৰা সুখে বৈকুণ্ঠে গমন।।
মাধৱৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন বিনে
নকৰিবা কলিত সাক্ষাত।
বৃথা কথা পৰিহৰি শ্ৰৱণ কীৰ্ত্তন কৰি
এড়ায়োক অন্তকৰ হাত।।২৬৯

চাৰিবেদ ৰামায়ণ পুৰাণ ভাৰত যত
সৱাতে হৰিক মাত্র কৰে।
জগতৰ যত পুণ্য সৱে অপ্রয়াসে পাৱে
মুখে মাত্র ৰাম নাম কৰে।।
হেন জানি বুধজন নামত দিয়োক মন
মুকুতি পদক ইচ্ছা যাৰ।
কেৱল মোক্ষৰ হেতু ৰাম নামে বান্ধি সেতু
সংসাৰ সাগৰ হুয়ো পাৰ।।২৭০
নামে তপ যজ্ঞ দান নামে জপ তীৰ্থ স্নান
নামে পিতৃ মাতৃ বন্ধুজন।
নামেসে মোক্ষতো ধৈৰ্য্য নামেসে সুহৃদ নিজ
জানি লৈয়ো নামত শৰণ।।
তযু পাৰে কৰো সেৱ পতিত পাৱন দেৱ
মই মহা পাতকী দুৰ্ঘোৰ।
নিজ কৰ্ম্মে জন্ম যৈত ধৰো তৈতে তযু গুণ
নাম নচাড়োক মনে মোৰ।।২৭১
তোমাৰ অৰুণ দুই চৰণে বিক্রয় গৈলো
ভৈলো তযু ভৃত্যৰ কিঙ্কৰ।
হেন কৃপা কৰা মোক তোমাৰ দাসৰো দাস
হুয়া যেন থাকো নিৰন্তৰ।।
হেন জানি বুধজন হৰিত দিয়োক মন
নামে সাধিবেক সব কাম।
মুৰুখ মাধৱে ভণে হৰি ঘুষি সৰ্ব্বজনে
পাইবা গতি অতি অনুপাম।।২৭২*

পা. ১২। তেৱে মোত পৰে নাই

* কোনো কোনো পুথিত-

একেতে অগ্রতা কৰো তোমাৰ চৰণে ধৰো
কৰি শত সহস্র প্রণাম।
সদা নছাড়িব নাম তেজি যত আনকাম
নিৰন্তৰে বোলা ৰাম ৰাম ৰাম।।

## জন্মৰহস্য সমাপ্ত